e- magazine

# বিজ্ঞান মনস্কতা দিৱস বিশেষ সংখ্যা





*The scientific temper points out the way along which man should travel. It is the temper of a free man….*

***- Jawaharlal Nehru***

## বিজ্ঞান মনস্কতা দিৱস
## বিশেষ সংখ্যা


সম্পাদক

মানস প্ৰতিম দত্ত

প্ৰচ্ছদ/অলংকৰণ/অংগসজ্জা

মানস প্ৰতিম দত্ত

সম্পাদনা সহযোগী

চুনা কুমাৰ পাঠৰী

বিশেষ কৃতজ্ঞতা

সঞ্জীৱ গোঁহাই

ভিতৰৰ ফটো

ইণ্টাৰনেটৰ বিভিন্ন উৎসৰ পৰা ফটোসমূহ সংগ্ৰহ কৰা হৈছে

আমাৰ ঠিকনা

www.duwarfoundation.org

ফেচবুক

www.facebook.com/duwarfoundation

ই-মেইল

duwarfoundation@gmail.com



**'দুৱাৰ'**ত প্ৰকাশিত লেখাসমূহৰ মৌলিকতা আৰু প্ৰকাশিত মতামত সম্পৰ্কে সম্পাদনা সমিতি দায়বদ্ধ নহয়।


# সূ চী প ত্ৰ


**সম্পাদকীয়**

ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস আৰু নৰেন্দ্ৰ ডাভোলকাৰ
মানস প্ৰতিম দত্ত ।।১

**প্ৰবন্ধ/নিবন্ধ**

বৈজ্ঞানিক মানসিকতা গঢ়াত শ্বহীদ হোৱা ভাৰতীয়সকল
ৰিপুঞ্জয় বৰদলৈ ।। ৩

অন্ধবিশ্বাস আৰু বৈজ্ঞানিক মানসিকতা
ভাৰ্গৱ বৰঠাকুৰ।। ৮

অন্ধবিশ্বাস, সন্দীপ মহেশ্বৰী আৰু অপবৈজ্ঞানিক বিশ্বাস
মানস প্ৰতিম দত্ত।।১২


বিশ্বাস, অন্ধবিশ্বাস আৰু সমসাময়িক সমাজ ব্যৱস্থা
জিতুল বৰা ।।১৬

প্ৰশ্ন কৰক, 'নিয়ম' ভাঙক
মৃণ্ময় কুমাৰ নাথ ।।১৮

বিজ্ঞান আৰু মানৱতাবোধ
ড° পৰশমণি দাস ।।২২

**গ্ৰন্থ আলোচনা**

দেৱকান্ত সন্দিকৈৰ 'জীৱনটো আমি মাথোঁ এবাৰেই পাওঁ'
ভাস্কৰ ভূঞা।।২৭



## স ম্পা দ কী য়

# ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস আৰু নৰেন্দ্ৰ ডাভোলকাৰ

২০ আগষ্ট ২০১৩
সময় তেতিয়া ৭ বাজি ২০ মিনিট হৈছে।
স্থান: মহাৰাষ্ট্ৰৰ পুণে।

প্ৰাত:ভ্ৰমণৰ পৰা বিভিন্ন জন ৰাওনা হৈছে গৃহাভিমুখে। ডা: নৰেন্দ্ৰ ডাভোলকাৰো সিদিনা প্ৰাত:ভ্ৰমণৰ পৰা উভতি আহি ওমকাৰেশ্বৰ মন্দিৰৰ কাষৰ দলংখন পাৰ হ'বলৈ লৈছে। ঠিক সেই সময়তে বাইকত অহা দুজন দুৰ্বৃত্তই ডাভোলকাৰক লক্ষ্য কৰি অতৰ্কিতে গুলীয়াবলৈ ধৰিলে। চাৰিজাই গুলীৰে থকা সৰকা কৰি পেলালে সেই মানুহজনক, যিজন মানুহে বিজ্ঞানৰ প্ৰসাৰ আৰু অন্ধবিশ্বাস দূৰীকৰণৰ লগতে তথাকথিত স্বয়ম্ভু ভগৱান সকলৰ আচক ৰূপ উদঙাই দিছিল। তাতেই খৰ্গহস্ত হৈ প্ৰাণ ল'লে 'স্বয়ম্ভু গডমেন'ৰ অনুগামীয়ে।

এয়া কোনো চিনেমাৰ কাহিনী নহয়। এয়া যে নৰেন্দ্ৰ ডাভোলকাৰৰ জীৱনৰ ৰূঢ় বাস্তৱ। সেই ভয়ানক দিনটোৰ পূৰ্বেও তেওঁ বহুবাৰ সন্মুখীন হৈছিল হত্যাৰ ভাবুকিৰ। যাৰ বাবে তেখেতক দেহৰক্ষী দিয়াৰ ব্যৱস্থাও কৰা হৈছিল। কিন্তু তেওঁ সেই প্ৰস্তাৱ অগ্ৰাহ্য কৰি কৈছিল - *মই যদিহে নিজৰ দেশত নিজৰ মানুহৰ পৰা ৰক্ষা পাবলৈকে আৰক্ষীৰ সুৰক্ষা গ্ৰহণ কৰোঁ তেন্তে এয়া ভুল হ'ব। মই ভাৰতৰ সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি যুঁজ কৰিছোঁ। এই যুঁজ কোনো ব্যক্তিৰ বিৰুদ্ধে নহয়। এই যুঁজ সকলোৰে সপক্ষেহে।* নৰেন্দ্ৰ ডাভোলকাৰৰ সম্পূৰ্ণ নাম নৰেন্দ্ৰ অচ্যুৎ ডাভোলকাৰ। পেচাত চিকিৎসক, এইজনা সমাজ-সংস্কাৰকৰ জন্ম হৈছিল ১৯৪৫ চনৰ ১ নৱেম্বৰ তাৰিখে। পিতৃৰ নাম আছিল অচ্যুত ডাভোলকাৰ আৰু মাতৃৰ নাম তাৰাবাই। এম বি বি এচ পাছ কৰি তেখেতে কিছু বছৰ চিকিৎসক হিচাপে সেৱা আগবঢ়াইছিল যদিও পাছলৈ কু-সংস্কাৰ বিৰোধী অভিযানত সক্ৰিয় ভাৱে যোগ দিয়াৰ উদ্দেশ্যে চাকৰি এৰি দিয়ে।

তেখেত আছিল মহাত্মা গান্ধীৰ অনুগামী। অহিংসাৰ প্ৰতি আছিল তেখেতৰ অগাধ বিশ্বাস। আনহাতে জাতি বিভাজনক তেওঁ তীব্ৰ বিৰোধীতা কৰিছিল। আনকি তেওঁ তেখেতৰ প্ৰথম সামাজিক সেৱাৰ বিষয় হিচাপে বাচি লৈছিল তথাকথিত সমাজ ব্যৱস্থাই নিম্ন শ্ৰেণীৰ 'চুব নাপায়' বুলি কোৱা দলিত সকলক সমাজৰ আন সকলৰ সৈতে একে ব্যৱহাৰ কৰিবই লাগিব বুলি দাবী উত্থাপন কৰি। সমাজৰ পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস দূৰ কৰাৰ উদ্দেশ্যে ১৯৮৯ চনত মহাৰাষ্ট্ৰ অন্ধশ্ৰদ্ধা নিৰ্মূলন সমিতি গঠন কৰে আৰু প্ৰতিষ্ঠাপক সভাপতি হিচাপে সেৱা আগবঢ়ায়। ইয়াৰ উপৰিও বিজ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁ সক্ৰিয়ভাৱে সেৱা আগবঢ়াইছিল। উন্মোচন কৰিছিল স্বয়ম্ভু ভগৱানৰ বাস্তৱৰ কুচিৎ ভক্ষক ৰূপ। ইয়াৰ উপৰিও তেখেতে বিজ্ঞান মনস্কতা প্ৰসাৰৰ বাবে 'বিবেক বাহিনী' গঠন কৰিছিল। সমাজৰ পৰা ক'লা যাদু আৰু কু-সংস্কাৰ ৰোধৰ উদ্দেশ্যে ২০১০ চনত তেখেতে কু-সংস্কাৰ আৰু ক'লা যাদু বিধেয়কৰ খচৰা প্ৰস্তুত কৰিছিল যদিও ধৰ্মীয় অনুভূতিক আঘাত কৰিব বুলি সেই বিধেয়ক আইনত পৰিণত নহ'ল। অৱশ্যে এই সম্পৰ্কে

আশ্চৰ্য্য প্ৰকাশ কৰি তেখেতে কৈছিল যে এই বিধেয়কত ঈশ্বৰ বা ধৰ্মৰ বিষয়ে একোৱে নাই।


ভাবিলে আচৰিত লাগে, ডাভোলকাৰৰ দৰে এচাম বিজ্ঞানী, বিজ্ঞান কৰ্মীয়ে যুগ যুগৰ পৰা এই পৃথিৱীখনত বিজ্ঞানৰ হকে মাত মাতি প্ৰাণ আহুতি দিবলগীয়া হৈয়ে আছে। যি বিজ্ঞানৰ বাবেই আমাৰ জীৱন প্ৰণালী সহজ হৈ উঠিছে, সেই বিজ্ঞান প্ৰতিষ্ঠাৰ বাটত বহুজনে ভয়ানক বাধা-বিঘিনিৰ সন্মুখীন হৈছে। আনকি গেলিলিঅ', কেপলাৰ, চক্ৰেটিছ, আৰ্কিমিডিচৰ পৰা আদি কৰি ডাভোলকাৰ, গৌৰী লংকেশ আদিয়ে প্ৰাণ দিবলগীয়া হৈছে। অথচ সমাজখনে তেওঁলোকৰ হকে মাত মাতিবলৈয়ে পাহৰি গৈছে। বিজ্ঞানকৰ্মীসকলৰ হত্যা হৈয়ে আছে, অথচ ন্যায়ৰ নামত ন্যায় জানো পাইছে? - ইয়ো এক বিশাল প্ৰশ্ন।

অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে মাত মাতি প্ৰাণ হেৰুওৱা ডাভোলকাৰৰ পবিত্ৰ স্মৃতিত, সৰ্বভাৰতীয় জনবিজ্ঞান নেটৱৰ্ক (অল ইণ্ডিয়া পিঅ'প'লচ্ চায়েন্স নেটৱৰ্ক)ৰ উদ্যোগত প্ৰতি বছৰে ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস পালন কৰি অহা হৈছে। বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা সম্পন্ন এখন সমাজ গঢ়ি তুলিবলৈ চেষ্টা কৰি প্ৰতিজন বিজ্ঞান শ্বহীদৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰোঁ আহক।

মানস প্ৰতিম দত্ত

**সম্পাদক, দুৱাৰ**






# বৈজ্ঞানিক মানসিকতা গঢ়াত শ্বহীদ হোৱা ভাৰতীয়সকল

ৰিপুঞ্জয় বৰদলৈ

*"Scietific Temper is a way of life - an individual and social process of thinking and acting- which uses a scietific method, which may include questioning, observing physical reality, testing, hypothesizing, analyzing, and communicating. Scietific temper describes an attitude which involves the ahplication of logic. Discussion, argument and analysis are vital parts of Scietific temper. Elements of fairness, equality and democracy are built into it." - Jawaharlal Nehru,* ১৯৪৬

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ লোৱাৰ আগতেই ১৯৪৬ চনত পণ্ডিত জৱাহৰলাল নেহেৰুৱে বৈজ্ঞানিক মানসিকতাৰ ওপৰত দিয়া ভাষণত ওপৰোক্ত বাক্যশাৰী কৈছিল। জৱাহৰলাল নেহেৰুৰ এই ভাষণৰ ওপৰত গুৰুত্ব দিয়েই ১৯৭৬ চনত ভাৰতীয় সংবিধানৰ ৪২ তম সংশোধনীত 'বৈজ্ঞানিক মানসিকতা, অনুসন্ধানৰ ইচ্চা আৰু মানৱতাবোধৰ বিকাশ ঘটোৱা।' বিষয়টো এঘাৰটা মৌলিক কৰ্তব্যৰ ভিতৰত সোমাই পৰে। নেহেৰুৰ মতে বৈজ্ঞানিক মানসিকতাক জীৱনৰ এক গতিপথ বুলি অভিহিত কৰিছে। ব্যক্তিগত আৰু সামাজিক চিন্তাভাৱনা, কৰ্মৰাজি আদি তেতিয়াহে বৈজ্ঞানিক মানসিকতা সম্পন্ন বুলি ক'ব পৰা যাব যেতিয়া বিষয়বস্তুৰ ওপৰত থকা সকলোবোৰ প্ৰশ্নৰ, সন্দেহ আতৰ কৰিবলৈ বৈজ্ঞানিক পদ্ধতি যেনে বিশ্লেষণ, ধাৰণা, বাস্তৱিকতা আদি সমূহে সেউজ সংকেত প্ৰেৰণ কৰে। কোনোবা এজন বা এশজন মানুহে ক'লে বুলিয়েই আমি বিষয়টো নিজৰ জীৱনত চকু মুদি ব্যৱহাৰ কৰিম বা মানি চলিম সেইতো হ'ব অবৈজ্ঞানিক মানসিকতা। কি? কিয়? কেনেকৈ? এই তিনিটা বিষয়ৰ পৰ্যালোচনা নকৰাকৈ যিসকলে কেৱল কাম কৰি যায়, তেওঁলোকৰ বৈজ্ঞানিক মানসিকতাৰ অভাৱ বুলি কোৱা হয়। যিটো বৰ্তমান সময়ত এক ডাঙৰ সমস্যাৰূপে দেখা গৈছে। কোনোবা এজনে ম'বাইলত কাৰোবাক সোপাধৰা বুলি মেছেজ দিলেই দোষী-নিৰ্দোষী নাচাই তাক মৰিয়াই মৰিয়াই মাৰি পেলাইছো। সম্পতিৰ কাৰণত হোৱা কাজিয়াৰ পুটক তুলিবলৈ অকলশৰীয়া মহিলাক ডাইনী সজাই হত্যা কৰা হয়। বাগানৰ লাইনৰ পৰা ফটিকাৰ ভাটি, জুৱাৰীৰ আড্ডা নাইকীয়া কৰিবলৈ ওলাই অহা একেখন লাইনৰে শিক্ষিত পৰিয়ালটোৰ চাৰিজন সদস্যক ডাইনী পোহা পৰিয়াল বুলি অভিহিত কৰি শিৰচ্চেদ কৰা হয় । আৰু চাৰিওটা ছিন্ন মূৰ লৈ ৰাস্তাত

সমদল উলিয়াই থানাত ভৰ্তি হৈছিল অতি গৌৰৱ আৰু উল্লাসৰে। উস্ কি বিভৎস আছিল সেই দৃশ্য, জীৱশ্ৰেষ্ঠ মানুহে আজিৰ যুগতো এনে কাণ্ড কৰিব পৰাটো সচায়ে লজ্জাৰ সীমা চেৰাই যোৱা এক ঘটনা। অকল অসমৰ এখন জিলাতে বৈজ্ঞানিক মানসিকতাৰ এই অৱস্থা, তেনেহ'লে ভাবকচোন সমগ্ৰ ৰাজ্যখন আৰু দেশত কি অৱস্থা হৈ আছে? কন্যা শিশু জন্ম হোৱাৰ লগে লগে গৰম গাখীৰৰ কেৰাহীত ডুবাই হত্যা কৰা এইখন দেশত এই কৰ্মৰ বিৰোধিতা কৰিলে সেইজন ব্যক্তিৰ দেহ বন্দুকৰ গুলীৰে ক্ষত-বিক্ষত কৰি দিয়া হয়। ৰাম-ৰহিম, আশাৰাম বাপুৰ দৰে অসংখ্য লম্পট গড মেনবোৰক প্ৰত্যাহ্বান জনোৱা বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী ব্যক্তিসকলক তথাকথিত ভক্তৰ নামত পুহি ৰখা গুণ্ডা বাহিনীয়ে ভৰিৰে গচকি গচকি অথবা গুলীয়াই হত্যা কৰে, আৰু হত্যাকাৰীক এক দৃষ্টান্তমূলক শাস্তিৰ দিয়াটো বাদেই ৰাজনৈতিক প্ৰভাৱৰ ফলত পুলিচে এনে হত্যাকাৰীৰ শুংসূত্ৰই বিচাৰি নোপোৱা হৈ পৰে।

ভাৰতত অন্ধবিশ্বাস দূৰীকৰণত দিনে-নিশাই লাগি থকা, সমাজৰ উঠি অহা প্ৰজন্মক বৈজ্ঞানিক মানসিতা গঢ় দিবলৈ বিভিন্ন কৌশল লোৱা আৰু 'বৈজ্ঞানিক মানসিকতা'ৰ জোৱাৰ তোলা ব্যক্তি বুলি ক'লে প্ৰথমে নাম লব লাগিব ডাঃ নৰেন্দ্ৰ ডাভোলকাৰ। ডাভোলকাৰৰ বিজ্ঞান মানসিকতা উত্তৰণৰ ক্ষেত্ৰত আনিব বিচৰা জোৱাৰে অন্ধবিশ্বাস আৰু ধৰ্মৰ নামত ব্যৱসায় কৰি থকা স্বয়ম্ভু ভগৱান, বাবা সকলক বহু অসুবিধাত পেলাইছিল। যাৰবাবে ডাভোলকাৰক ২০১৩ চনৰ ২০ আগষ্ট তাৰিখে অজ্ঞাত আততীয়ায়ে অতি নৃশংসভাৱে হত্যা কৰে। এই হত্যাকাণ্ডই ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বতে তোলপাৰ লগাইছিল। ২০১৪ চনত এই গৰাকী বিজ্ঞান মানসিকতাৰে সমাজক উন্নতিৰ শিখৰলৈ নিব বিচৰা মনিষীক মৰণোত্তৰভাৱে কেন্দ্ৰীয় চৰকাৰে 'পদ্মশ্ৰী বটাঁ' ৰে সন্মানিত কৰে। পেচাত এগৰাকী চিকিৎসক নৰেন্দ্ৰ ডাভোলকাৰৰ জন্ম হৈছিল মহাৰাষ্ট্ৰত ১৯৪৫ চনৰ ৰ নৱেম্বৰত। তেখেত পিতৃ আছিল অচ্যুত ডাভোলকাৰ আৰু মাতৃ তাৰাবাঈৰ দহোটা সন্তানৰ কনিষ্ঠজন আছিল। স্কুলীয়া শিক্ষা চাটাৰাত থকা নিউ ইংলিছ স্কুলৰ পৰা সাং কৰি চাংলিৰ উইলিংডন কলেজৰ পৰা উচ্চশিক্ষা লাভ কৰে। মিৰাজত থকা চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ পৰা ডাভোলকাৰে চিকিৎসা শাস্ত্ৰৰ ডিগ্ৰী MBBS লাভ কৰে। তীখৰ বুদ্ধিসম্পন্ন ডাভোলকাৰ পঢ়া-শুনাৰ লগতে খেলতো আগবঢ়া আছিল। তেখেত শিবাজী বিশ্ববিদ্যালয়ৰ কাবাদী দলৰ দলপতি আছিল। ডাভোলকাৰ নেতৃত্বত থকা কাবাদীৰ দলটোৱে বাংলাদেশৰ বিৰুদ্ধে খেলা খেলখনে ডাভোলকাৰক ক্ৰীয়াজগতত অন্য এক পৰিচয় প্ৰদান কৰিছিল। কাবাদীত আগবঢ়োৱা সেৱাৰ বাবে তেখেতক মহাৰাষ্ট্ৰ চৰকাৰে চত্ৰপতী শিৱাজী যুৱ বঁটাৰে সন্মানিত কৰিছিল। ডাঃ নৰেন্দ্ৰ ডাবোলকাৰে সাংসাৰিক জীৱন শৈলা নামৰ এগৰাকী বিদূষী নাৰীৰ লগত আৰম্ভ কৰিছিল। হামিদ আৰু মুক্তা নামৰ এটি পুত্ৰ আৰু কন্যা সন্তানৰে সুখৰ পৰিয়াল আছিল ডাভোলকাৰৰ। ধৰ্মৰ বিষয়ত ডাভোলকাৰ এগৰাকী নাস্তিক ব্যক্তি আছিল। তেখেতে বাস্তু শাস্ত্ৰক কেতিয়াও বিশ্বাস কৰা নাছিল, যাৰবাবে তেখেতে নিজৰ গৃহ নিৰ্মাণৰ সময়ত কোনো ধৰণৰ বাস্তু শাস্ত্ৰ মনা নাছিল। বিয়াৰ ক্ষেত্ৰত তেখেতে বাহুল্য কৰাটো অতি বেয়া পাইছিল। ডাভোলকাৰে নিজৰ সন্তানৰ বিয়াও সাধাৰণ ভাৱে অনুষ্ঠিত কৰিছিল। ডাভোলকাৰৰ এই মানসিকতাৰ ফলতে তেখেতে ১২ বছৰ ধৰি কৰি থকা চিকিৎসা বৃতি বাদ দি ১৯৮০ চনৰ পৰা সাামাজিক কামত নিজকে আত্মনিয়োগ কৰে। তেখেত 'এক দেশ এক নিয়ম' নামৰ কাৰ্যসূচীত সক্ৰিয়তাৰে অংশগ্ৰহণ কৰে। অন্ধবিশ্বাসৰ বিভিন্ন কাৰ্য্যসূচীৰ লগত জড়িত হৈ পৰা ডাভোলকাৰে লাহে লাহে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকব ধৰিলে। ঠিক সেইসময়তে তেখেতক 'অখিল ভাৰতীয় অন্ধবিশ্বাস সমিতি'ৰ [ABANS] সদস্য হিচাপে স্বীকৃতি লাভ কৰে। ১৯৮৯ চনত ডাভোলকাৰে মহাৰাষ্ট্ৰত 'মহাৰাষ্ট্ৰ অন্ধবিশ্বাস নিৰ্মুলকৰণ কমিটি' গঠন কৰিছিল। অন্ধবিশ্বাস, তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকা বিশ্বাস নকৰিবলৈ তেখেতে সৰ্বসাধৰণ মানুহক সজাগ কৰিবলৈ প্ৰয়াস কৰিছিল। তেখেতে তথাকথিত 'গডমেন বা ইশ্বৰ পুৰুষ' বোৰৰ পৰা সৰ্বসাধাৰণক দূৰত্ব বজাই ৰাখিবলৈ সকীয়াই দিছিল। গডমেন বোৰে মানুহৰ মাজত ভয়-ভীতিৰ সৃষ্টি কৰিবলৈ কৰা অলৌকিক ঘটনাবোৰৰ তেখেতে লৌকিকতা প্ৰদান কৰিছিল। এইবোৰ কামৰ বাবে তেখেতে চটৰা জিলাত

'পৰিবৰ্তন' নামৰ সামাজিক সজাগতা অনা সংগঠনৰ প্ৰতিষ্ঠাপক সদস্য হিচাপে সক্ৰিয়তাৰে কাম কৰি গৈছিল। ডাভোলকাৰে জনপ্ৰিয় মাৰাঠী বাতৰিকাকত 'সাধনা'ৰ সম্পাদক হিচাপেও কাম কৰি গৈছিল। ১৯৯০ চনৰ পৰা ২০১০ চনলৈকে ডাভোলকাৰে মহাৰাষ্ট্ৰত দলিত আন্দোলনত এক নতুন মাত্ৰা প্ৰদান কৰিছিল। তেখেতে ভাৰতীয় জাত-পাতৰ প্ৰথাক ঘোৰ বিৰোধ কৰিছিল। দলিতৰ নেতা স্বাধীন ভাৰতৰ সংবিধান প্ৰণেতা ড$^0$ ভীমৰাও বাবাচাহেব আম্বেদকাৰৰ নামত মাৰাঠৱাড়া বিশ্ববিদ্যালয়ৰ নাম সলনি কৰিব লাগে বুলি ডাভোলকাৰে দাবী কৰিছিল। ভাৰতৰ চুকে-কোণে সৰ্বসাধাৰণ ৰাইজক অন্ধবিশ্বাসৰ ওপৰত সজাগতা আনিবলৈ ডাভোলকাৰে ৩,০০০১ৰো অধিক সভাত ভাষণ প্ৰদান কৰিছিল। কলা যাদু, তন্ত্ৰ-মন্ত্ৰ, অলৌকিক ঘটনা আৰু অন্ধবিশ্বাসৰ ওপৰত ডাভোলকাৰে বহুকেইখন মূল্যবান কিতাপ লিখি থৈ গৈছে। ২০১৩ চনত মহাৰাষ্ট্ৰত খৰাং পৰিৱেশৰ সৃষ্টি হৈছিল। সেইসময়তে নাগপুৰৰ নগৰ সমিতিয়ে যোগান ধৰা খোৱা পানীৰ টেংকিৰ পানীৰে আশাৰাম বাপু আৰু তেখেতৰ ভক্তসকলে ফাকুৱা উৎসৱ পালন কৰিছিল। এফালে পানীৰ অভাৱত মানুহৰ মৃত্যু আৰু আনফালে একেখন ৰাজ্যতে খোৱাপানীৰে ফাকুৱা উৎসৱ পালন। আশাৰাম বাপুৰ এই কাৰ্যক ডাভোলকাৰে তীব্ৰ প্ৰতিবাদ কৰাৰ লগতে ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় পৰ্যায়তো ইয়াক দৃষ্টি গোচৰ কৰাবলৈ সক্ষম হৈছিল। ডাভোলকাৰৰ এনেধৰণৰ কৰ্মৰাজিয়ে কিছুমান ধৰ্মৰ নামত ব্যৱসায় কৰা তথাকথিত গড মেনক অসন্তোষ্ট কৰি তুলিছিল। যাৰবাবে ডাভোলকাৰৰ জীৱনলৈ ১৯৮০ চন মানৰ পৰাই ভাবুকি আহি পৰিছিল। তেখেতক চৰকাৰে পুলিচ সুৰক্ষা দিব বিচৰাত ডাভোলকাৰে এই প্ৰস্তাৱ পোনচাটেই নস্যাৎ কৰি কৈছিল-

**"যদিহে মোৰ নিজ দেশৰ নিজা মানুহখিনিয়ে কৰিব পৰা দুৰ্ঘটনাৰ বাবে মই পুলিচৰ সুৰক্ষা ল'বলৈ যাও তেন্তে মই মোৰ কিবা ভুল হোৱা যেন লাগিব। মই ভাৰতৰ সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি কাম কৰি গৈছো। মই কাৰো বিপক্ষে নগৈ সকলোৰে পক্ষতহে কাম কৰি আছো। "**

এইগৰাকী নিৰ্ভীক বিজ্ঞানকৰ্মীক পুনেৰ ওমকাৰেশ্বৰ মন্দিৰৰ সন্মুখত ২০১৩ চনৰ ২০ আগষ্টৰ পুৱা ৭ বাজি ২০ মিনিটত দুজন বন্দুকধাৰী আততীয়ই গুলীয়াই হত্যা কৰে। ৬৭ বছৰ বয়সত মৃত্যুমুখত পৰা এই গৰাকী সাহসী বিজ্ঞানকৰ্মীৰ হত্যাৰ লগত জড়িত ব্যক্তিক পাচ বছৰৰ মূৰত, অৰ্থাৎ যোৱা ২০ আগষ্ট তাৰিখে কৰায়ত্ত কৰাটো হাস্যপদ বিষয় হৈ পৰিছে।

ডাঃ নৰেন্দ্ৰ ডাভোলকাৰৰ দৰে আৰু বহুতো ব্যক্তিয়ে বিজ্ঞান মানসিকতা গঢ় দিবলৈ যৎপৰোনাষ্টি কৰা দেখা যায়। তেনে এজন ব্যক্তি আছিল গোবিন্দ পানধাৰিনাথ পানচাৰে। তেখেতৰ জন্ম মহাৰাষ্ট্ৰৰ আহমেদনগৰ জিলাৰ ক'লহাৰ গাৱত ১৯৩৩ চনৰ ২৪ নৱেম্বৰ তাৰিখে হৈছিল। অতি দুখীয়া ঘৰত জন্ম লাভ কৰা গোবিন্দ, পিতৃ পানধাৰিনাথ আৰু মাতৃ হাৰনাবাই ৰ পাচটা সন্তানৰ একেবাৰে নুমলীয়া আছিল। সৎ, সাহসী বিজ্ঞান কৰ্মী গোবিন্দ পানচাৰে বেলেগ বেলেগ জাতিৰ মাজত বিয়া হোৱাতোত বেছি গুৰুত্ব দিয়াৰ লগতে জাত-পাতৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। তাৰোপৰি 'কন্যা ভ্ৰুণ' নষ্ট কৰাৰ ক্ষেত্ৰত ৰাইজৰ মাজত একক প্ৰচেষ্টাৰে সজাগতা আনিবলৈ প্ৰয়াস কৰিছিল। গোবিন্দ পানচাৰেৰ এইবোৰ ক্ৰিয়াকলাপে বহু গড মেনৰ লগতে তেখেতৰ ভক্তসকলকঅশান্তি কৰিছিল। যাৰ বাবে গোবিন্দ পানচাৰেৰ লগতে তেখেতৰ পত্নীক কোনো অজ্ঞাত দুৰ্বত্তই ২০১৫ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে ৰাস্তাত গৈ থকা অৱস্থাত গুলীয়াই হত্যা কৰিবলৈ প্ৰয়াস কৰিছিল। ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা ডিঙিৰ পিছফালে আৰু বুকুত গুলী লগা গোবিন্দ পানচাৰে চাৰিদিন মৃত্যুৰ সৈতে যুজি অৱশেষত ২০ ফেব্ৰুৱাৰী তাৰিখে মৃত্যুমুখত পৰে। তেখেতৰ পত্নী উমা পানচাৰে উক্ত ঘটনাত মূৰত গুলী লগাত অচেতন হৈ থাকিব লগা হোৱাৰ বাবে ভালকৈ ঘটনাৰ বিষয়ে পুলিচে জানিব পৰা নাছিল। সংজ্ঞা লাভ কৰাৰ পিছতহে পুলিচে জানিব পাৰে যে গোবিন্দ পানচাৰকো নৰেন্দ্ৰ ডাভোলকাৰৰ দৰে বাইকত অহা দুজন ডেকা ল'ৰাই নিচেই কাষৰ পৰা গুলীয়াইছিল । গোবিন্দ পানচাৰৰ ২১ খন গ্ৰন্থ অন্ধবিশ্বাস, কু-সংস্কাৰৰ উপৰিও সমাজৰ বিভিন্ন ৰীতি-নীতিৰ ওপৰত লিখি উলিয়াইছিল।



তাৰোপৰি পানচাৰৰ জনপ্ৰিয় গ্ৰন্থ ১৯৮৮ চনত প্ৰকাশ হোৱা ১৭ শতিকাৰ দক্ষিণ ভাৰতৰ শাসক বীৰ শিৱাজীৰ ওপৰত লিখা Who was Shivaji? [শিৱাজী কোন আছিল?] যথেষ্ট জনপ্ৰিয়, সমালোচনা আৰু বিতৰ্কও হৈছিল। হিন্দী, ইংৰাজী আদি বিভিন্ন ভাষালৈ অনুবাদ হোৱা এই কিতাপখনৰ ৩৮ টা সংস্কৰণত মুঠ ১,৪৫,০০০ কিতাপ বিক্ৰী হৈ অভিলেখ সৃষ্টি কৰিছিল।

বৈজ্ঞানিক মানসিকতাক সমাজৰ প্ৰতিটো স্তৰত জনপ্ৰিয় কৰাবলৈ দিনে-নিশাই নিজৰ জীৱনক তুচ্চ জ্ঞান কৰি লাগি থকা আন এগৰাকী সচাঅৰ্থত বিজ্ঞানৰ সাধক হ'ল মালেচেপ্পা মাডিভালাপ্পা কালবুৰগি বা এম. এম. কালবুৰগি। এইজনা বিজ্ঞানকৰ্মীৰ জন্ম ১৯৩৮ চনৰ ২৮ নৱেম্বৰত কৰ্ণাটকৰ বিজাপুৰ জিলাৰ য়াৰাগাল গাৱত হৈছিল। দৰিদ্ৰ খেতিয়ক পিতৃ মাডিভালাপ্পা আৰু মাতৃ গৌৰাম্মাৰ ঔৰষত জন্ম লাভ কৰা কালবুৰগিয়ে ১৯৬২ চনত কৰ্ণাটক বিশ্ববিদ্যালয়ৰ পৰা কানাড়া ভাষাত সোণৰ পদকৰ সৈতে প'ষ্ট-গ্ৰেজুৱেট ডিগ্ৰী লাভ কৰে। দৰিদ্ৰ পৰিয়ালৰ সন্তান হৈয়ো পিছলৈ কৰ্ণাটক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পদ অলংকৃত কৰাৰ লগতে ২০০৬ চনত ৰাষ্ট্ৰীয় ভাৱে সন্মানিত কৰা সাহিত্য একাডেমী বঁটা তেখেতৰ সাহিত্য ক্ষেত্ৰখনত আগবঢ়োৱা অবদানৰ বাবে লাভ কৰে। ২০১৪ চনত কালবুৰগিয়ে মুকলি ভাৱে হিন্দু ধৰ্মৰ মাজত থকা অন্ধবিশ্বাসবোৰৰ বৈজ্ঞানিক ব্যাখ্যা আগবঢ়াই সেইবোৰ নাইকীয়া কৰিবলৈ জোৰদাৰ সজাগতামূলক সভা অনুষ্ঠিত কৰি ৰাইজক সজাগ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। কালবুৰগিৰ এই প্ৰচেষ্টা সমাজৰ ভালৰ বাবে হোৱাৰ সলনি তেওঁৰ বৈজ্ঞানিক ব্যাখ্যাক গড মেনৰ ভক্তসকলে অন্যপ্ৰকাৰে প্ৰচাৰ কৰিবলৈ ধৰিলে। যাৰ পৰিণতিস্বৰূপে কালবুৰগিৰ ওপৰত হিন্দুৰ ধৰ্মীয় অনুভূতিক তাচ্ছিল্য কৰা বুলি কৰ্ণাটক উচ্ছ ন্যায়লয়ত কেচ পয.ৰ্ন্ত দিয়া হৈছিল। তথাপিও কালবুৰগি নিজৰ স্থিতিত অটল থাকি অন্ধবিশ্বাসৰ ওপৰত যুজ দি গৈছিল। তেখেতৰ অন্ধবিশ্বাস মুক্ত সমাজ গঢ়াৰ সপোণক বাস্তৱায়িত হোৱাত ধৰ্মৰ নামত ব্যৱসায় কৰা এচামে সহ্য কৰিব পৰা নাছিল। যাৰফলস্বৰূপে ডাভোলকাৰ, গোবিন্দক হত্যা কৰাৰ দৰে দুজন অচিনাক্ত বাইক আৰোহীয়ে কৰ্ণাটকৰ ধাৰৱাৰ জিলাত থকা তেখেতৰ নিজা ঘৰতে ২০১৫ চনৰ ৩০ আগষ্ট তাৰিখে গুলীয়াই হত্যা কৰে। বাকী কেইতা হত্যাকাণ্ডৰ দৰে বহু লাখ টকা পুৰস্কাৰ ঘোষণা কৰাৰ পাছতো পুলিচে তিনিওটা হত্যাকাণ্ডৰ হত্যাকাৰীক ধৰিব নোৱাৰাতো অতি লজ্জাৰ বিষয় হৈ পৰিল।

সৌ সিদিনা আন এগৰাকী সাহসী মহিলা বলি হব লগা হ'ল বিজ্ঞান মানসিকতাৰ প্ৰচাৰ কৰাৰ অপৰাধত। গৌৰি লংকেশ , বিশ্বৰ সংবাদ জগতখনৰ এক পৰিচিত নাম। ১৬ বছৰ ধৰি সাংবাদিকতাত নিজৰ নিচা আৰু পেছা হিচাপে জীৱন উছৰ্গিত কৰা গৌৰীক হত্যা কৰা হ'ল মানুহৰ মনৰ পৰা জাত-পাত দূৰ কৰিবলৈ কৰা প্ৰয়াস,

গোঢ়া হিন্দুত্ববাদৰ ওপৰত কৰা সমালোচনাৰ বাবে। ১৯৬২ চনৰ ২৯ জানুৱাৰী তাৰিখে কৰ্ণাটকৰ বাংগালুৰুত জন্ম গ্ৰহণ কৰা গৌৰিৰ পিতৃ আছিল বিখ্যাত কবি-সাংবাদিক আৰু কানাড়া ভাষাৰ সাপ্তাহিক বাতৰি কাকত 'লংকেশ পত্ৰিকা'ৰ জন্মদাতা পি. লংকেশ। তীক্ষ্ণ বুদ্ধিসম্পন্না গৌৰিয়ে সাংবাদিকতাৰ সেৱা পোনপ্ৰথমে 'টাইমছ অৱ ইণ্ডিয়া'ত আৰম্ভ কৰিছিল। স্বামীৰ লগত কিছু বছৰ দিল্লীত থাকোতে তেলেগু টেলিভিছন চেনেল 'এনাডুছ' ত কাম কৰিছিল। স্বামী চিদানন্দ ৰাজঘাট্টাৰ লগত বিবাহ বিচ্ছেদিত হৈ দিল্লীৰ পৰা বাংগালুৰুলৈ ঘুৰি আহে। ২০০০ চনত গৌৰিৰ পিতৃৰ বিয়োগ ঘটাত ভাতৃ ইন্দ্ৰজিতৰ লগত লংকেশ পত্ৰিকাৰ দায়িত্ব কান্ধ পাতি লৈছিল। কিন্তু কিছুবছৰৰ পাছত বায়েক-ভায়েকৰ মাজত কাকতখনৰ প্ৰকাশিত বাতৰিৰ বিষয়বস্তুক লৈ মনোমালিন্য ঘটাত ২০০৫ চন মানত গৌৰিয়ে অকলে কানাড়া ভাষাৰ আন এখন সাপ্তাহিক বাতৰি কাকত 'গৌৰি লংকেশ পত্ৰিকা' প্ৰকাশৰ ব্যৱস্থা কৰে। নিঃসন্তান গৌৰিয়ে চাৰিটাকৈ শিশুক তুল-তালি ডাঙৰ দীঘল কৰিছিল। গৌৰিয়ে গোঢ়া হিন্দুত্ববাদ, মহিলাৰ ওপৰত হোৱা অন্যায়, জাত-পাতৰ ভেদভাৱ আতৰ কৰাত ইমান নিৰ্ভীকভাৱে লাগিছিলযে তেখেতক 'আন্না পলিটক'ভস্কায়া বঁটা' নামৰ আন্তৰ্জাতিক সাংবাদিকতাৰ সাহসিকতাৰ বঁটা প্ৰদান কৰা হৈছিল। এই গৰাকী বিদুষী নাৰীক ২০১৭ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে বাংগালুৰুৰ ৰাজাৰাজেশ্বৰী নগৰৰ নিজা ঘৰত তিনিজন অজ্ঞাত আততীয়াই মূৰ আৰু বুকুত গুলীয়াই নিশংসভাৱে হত্যা কৰে। হেলমেট পৰিধান কৰি থকা কাৰণে বাইকত অহা দুজনক পুলিচে এতিয়াও চিনাক্ত কৰিব নোৱাৰাৰ লগতে গৌৰিৰ কাষৰ ঘৰখনত আশ্ৰয় লৈ প্ৰথম গুলী চলোৱাজনৰো কোনো তথ্য পোৱা নাই পুলিচে।

ডাইনী হত্যা, বাল্য বিবাহ, কন্যা ভ্ৰুণ হত্যা, যৌতুক প্ৰথা, জাত-পাত আদিৰ দৰে কুসংস্কাৰ সমূহৰ লগতে অন্ধবিশ্বাস, ধৰ্মীয় গোঢ়ামিৰ বিৰুদ্ধে মাত মতা এই চাৰিগৰাকী ভাৰত মাতাৰ নিৰ্ভীক আৰু প্ৰকৃত সন্তানক ভাৰত মাতাৰে কিছুমান কুলাংগ সন্তানে নিজ স্বাৰ্থ পূৰণ কৰাত বাধা পোৱা বাবেই ভেৰণীয়া গুণ্ডা বাহিনীৰে হত্যা কৰোৱালে। এইসকল অধম প্ৰকৃতিৰ মানুহে সহজ-সৰল মানুহৰ আবেগ, বিশ্বাস, অনুভুতিক লৈ ব্যৱসায় কৰি আছে আৰু ইয়াত হাত উজান দিছে ধৰ্মীয় ৰাজনীতিৰে ক্ষমতা লাভৰ প্ৰয়াস কৰা ধূৰন্ধৰ ৰাজনীতিবিদে। ডাভোলকাৰ, গোবিন্দ, কালবুৰগি আৰু গৌৰিৰ জীৱন হানি হোৱা সমাজকঅন্ধবিশ্বাস মুক্ত কৰাৰ পণ যাতে আজিৰ নৱপ্ৰজন্মই আকোৱালি লয় তাৰ প্ৰয়াস কৰি আছে ভাৰতীয় জন বিজ্ঞান মঞ্চই। সেই উদ্দেশ্যকে সৰোগত কৰি 'সদৌ ভাৰত জনবিজ্ঞান নেটৱৰ্কে' ২০১৮ চনৰ পৰা প্ৰতিবছৰৰ ২০ আগষ্ট তাৰিখত নৰেন্দ্ৰ ডাভোলকাৰৰ লগতে অন্য তিনিগৰাকী ব্যক্তিক সোঁৱৰণ কৰি 'ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস' পালন কৰাৰ সিদ্ধান্ত লৈছে।

এই চাৰিওগৰাকী ব্যক্তিৰ জীৱনদান যাতে অথলে নাযায় সেইবাবে আমি সকলোৱে এখন অন্ধবিশ্বাস আৰু কুসংস্কাৰমুক্ত সমাজ গঢ়াৰ পণ লওঁ আহক। সংগীতসূৰ্য ড° ভুপেন হাজৰিকাই "... বিজ্ঞানে আনিব জোৱাৰ..." বুলি উল্লসিত হৈ অন্ধবিশ্বাস মুক্ত নৱগঠিত সমাজ গঢ়াৰ গীত গোৱাৰ দৰে, আজি আমিও গাব লাগিব-

বিজ্ঞানৰ জোৱাৰত উটি-ভাহি গৈছে সকলো,
জোৱাৰৰ তীব্ৰতাক সহিব নোৱাৰি,
ককবকাই আছে অন্ধবিশ্বাস, কুসংস্কাৰে।
আমি ধৰিব লাগিব হেংদান,
গাত শকতি থকালৈ যুজিব লাগিব ,
ডাইনী বুলি নিৰপৰাধী মানুহক হত্যা কৰা,
সোপাধৰা বুলি তেজাল ডেকাক মৰিয়াই মৰিয়াই হত্যা কৰা,
সেই নৰপিশাচবোৰক বধিব লাগিব।
বধিব লাগিব ডাভোলকাৰ, গোবিন্দ, কালবুৰগি , গৌৰিক হত্যা কৰা
সেই মানসিকতাক।
আৰু বেছি দিন নাই ...নাই বেছি দিন...
বিজ্ঞানৰ জোৱাৰত ত্ৰাহিমাম দেখিব
অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ধ্বজাবাহকে।



# অন্ধবিশ্বাস আৰু বৈজ্ঞানিক মানসিকতা

ভাৰ্গৱ বৰঠাকুৰ

বৰ্তমান যুগত বিজ্ঞানৰ অগ্ৰগতিৰ কথা নতুনকৈ নকলেও হ'ব। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱা লৈ বিভিন্ন প্ৰকাৰে হলেও বিজ্ঞানৰ বিভিন্ন সৰু ডাঙৰ আৱিস্কাৰৰ ওপৰত আমি প্ৰতিজনেই নিৰ্ভৰশীল। প্ৰতিবছৰে আমাৰ দেশত লাখে লাখে বিজ্ঞানৰ উচ্চডিগ্ৰীধাৰী, ডাক্তৰ,অভিযন্তা হয় ওলায় । কিন্তু আচৰিত কথা এটোযে তাৰ (২০-৩০)% উচ্চশিক্ষিত লোকহে বিজ্ঞানৰ ওপৰত বিশ্বাস ৰাখি বৈজ্ঞানিক মানসিকতাৰে বা বৈজ্ঞানিক দৃষ্টিৰে খোজ দিয়ে । সেইকাৰণে আধুনিক যুগ বুলি কয়ও আমি এতিয়াও অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ডাৱৰৰ তলত! বিজ্ঞানমনস্কতাৰ য'তেই স্তব্ধ হৈছে, তাতেই ডাইনী হত্যা, তন্ত্ৰ-মন্ত্ৰ,বাস্তুশাস্ত্ৰ, জ্যোতিষ বিদ্যাৰ দৰে কিছুমান অন্ধবিশ্বাসৰ সৃষ্টি হৈছে। মনোবিজ্ঞানী সকলৰ মতে অতিকৈ ধৰ্মৰ প্ৰতি আকৰ্ষিত মানুহবোৰ বেছি অন্ধবিশ্বাসৰ বলি হয়। দেখা যায় বহু ক্ষেত্ৰত সমস্যাবোৰৰ সমাধানৰ সূত্ৰ বিচাৰি নাপায় মানুহবোৰে ক'ব নোৱাৰাকৈয়ে অন্ধবিশ্বাসৰ আশ্ৰয় ল'ব লগা হয় । আৰু ক'ব নোৱাৰাকৈয়ে তান্ত্ৰিক,বাবাজী, জ্যোতিষী আদিৰ ঠগৱাজী ব্যৱসায়ৰ মায়াজালত পৰে । লেখক, দাৰ্শনিক Edmund Burke ৰ মতে "Superstition is the religion of feeble mind"

সৌৰজগতৰ গ্ৰহবোৰৰ ওপৰত ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় মহলত বহু বছৰৰ আগৰ পৰাই কোটি কোটি টকাৰ ব্যয় সাপেক্ষে বিভিন্ন পৰীক্ষা-নিৰিক্ষা চলাই আহিছে । টেলিভিচন,বাতৰিকাকত আদিৰ পৰা সকলোয়ে কম-বেছি পৰিমাণে কথাবোৰ জানেই যদিও,আচৰিত কথা আমাৰ সমাজৰ অনুমানিক ৯০% মানুহেই শনি,মংগল,ৰাহু,কেতুৰ নামত পাথৰ,তাবিজ পিন্ধে প্ৰতিকাৰ ল'ব!! জ্যোতিষত জ্যোতিৰ্বিজ্ঞানৰ এটা অংশহে থাকে, যেনে -বিভিন্ন সময়ত আকাশ গ্ৰহ-নক্ষত্ৰৰ অৱস্থান,গ্ৰহৰ সময়, বাৰ, তিথি আদিৰ গণনা-এইবোৰ বিজ্ঞানসন্মত । কিন্ত গ্ৰহ, নক্ষত্ৰ এইবোৰৰ অৱস্থান, মানুহৰ হাতৰ ৰেখা, পাথৰযুক্ত আঙুঠিৰ আদিৰ লগত মানুহৰ ভাগ্য,শুভ-অশুভ আদি সংযোগ কৰা জ্যোতিষৰ গণনাবোৰ অবাস্তৱ,অন্ধবিশ্বাস । জ্যোতিষী বোৰে ৰাহু,কেতুক গ্ৰহ বনাই তাবিজ, পাথৰৰ এখন লাভজনক ঠগবাজী ব্যৱসায় চলাই আহিছে কিছুমান অযুক্তিকৰ , অযথা বিধান, যেনে- আপোনাৰ ৰাহু আৰু শনি বেয়া, শনি বাৰে দিনটো উপবাস কৰক ,ৰাহুৰ কাৰণে ভাতৰ লগত দালি নাখাব, আপোনাৰ চাকৰিৰ ৰিষ্ট খণ্ডন কৰিব কাৰণে গাখীৰ একলিটাৰ,ৰঙা বস্ত্ৰৰে ৰাহু-কেতু পূজা কৰক, শনি বাৰে কলা কাপোৰ পৰিধান কৰক, আপোনি যদি পেটৰ অসুখত ভুগিচে "পেটৰত্ন" তাবিজ পিন্ধক, আপুনি সোণকালে ধনী হ'ব যদি বিচাৰিছে "ধন লখমী" গেৰান্টি যুক্ত তাবিজ পিন্ধক... ইত্যাদি মানুহৰ আৰ্থিক অৱস্থা চাই বিভিন্ন বিধান দিয়া দেখা যায় । জ্যোতিষৰ মাহাত্ম্য দেখুৱাব খোজা সকলে এইবোৰৰ সাপক্ষে যি যুক্তিয়েই নিদিয়ক, এইবোৰ হৈছে অন্ধবিশ্বাস । অপবিজ্ঞানৰ প্ৰচাৰ। কথা হ'ল সৌৰজগতত অস্তিত্বহীন ৰাহু, কেতু কি বস্তু? বিজ্ঞানেতো কেতিয়াও গ্ৰহ বুলি কোৱা নাই!!

দেখাযায় জ্যোতিষী বোৰে চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ, পূৰ্ণিমা, অমাৱস্যা আদিত খাব নালাগে বুলি বিভিন্ন অযুক্তিৰ কথাৰে বিধান দিয়ে, তেওঁলোকৰ মতে কিবা "Radiation " ওলাই বোলে গ্ৰহণৰ সময়ত! কেইবছৰমানৰ আগতে ৰাষ্ট্ৰীয় নিউজ চেনেল এটাত এইটো বিষয়ক লয় জ্যোতিষীবোৰৰ লগত দেশৰ বিশিষ্ট বিজ্ঞানী,লেখক,সাংবাদিকৰে দীঘলীয়া এখন যুক্তি তৰ্ক চলিছিল, মানুহৰ মনৰ পৰা ভ্ৰান্ত ধাৰণাবোৰ আঁতৰাব কাৰণে গ্ৰহণ চলি থাকোতেই তেওঁলোকে নিজে খায় দেখুৱাও মনত পৰে । দেখা গৈছিল অযথা কিছুমান কথাৰ বাহিৰে কিন্তু জ্যোতিষী বোৰে কোনো যুক্তিৰে তথ্য দিব নোৱাৰিছিল । চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ এইবোৰ মহাজগতিক পৰিঘটনা, গ্ৰহণৰ সময়ত খাব ন'লগা বিষয়টো এটা সম্পূৰ্ণ অন্ধবিশ্বাসৰ বাহিৰে একো নহয় । আৰু সৌৰজগতৰ গ্ৰহবোৰৰ পৰিমণ্ডল বিভিন্ন প্ৰকাৰৰ গেছেৰে গঠিত ইয়াৰ পৰা কোনো ধৰণৰ বিকিৰণ(Radiation) নহয় ,যিয়ে পৃথিৱীত আঙুঠী পিন্ধা জনক প্ৰতিকাৰ দিব পাৰিব ! বিজ্ঞানে বহুত আগতেই ইয়াৰ বিশ্লেষনত্মক উত্তৰ দি থৈছে যদিও সমাজত গ্ৰহ-নক্ষত্ৰক লৈ সৃষ্টি হোৱা অন্ধবিশ্বাসৰ প্ৰৰ্দুভাৱ আজিও হ্ৰাস পোৱা নাই।

ইয়াৰ এটাই কাৰণ মানুহৰ সুস্থ মানসিকতাৰ অভাৱ। জ্যোতিষীবোৰে যিমানেই অপবিজ্ঞানৰ প্ৰচাৰ নকৰক কিয়? জ্যোতিষ কেতিয়াও বিজ্ঞান নহয়, ASTROLOGY আৰু ASTRONOMY দুটা সম্পূৰ্ন বেলেগ বিষয় ।

পদাৰ্থ বিজ্ঞানী Stephen Hawking ৰ মতে "The reason most scientists don't believe in astrology is because it is not consistent with our theories that have been tested by experiment."

**জ্যোতিষৰ ওপৰত দিয়া আন কিছুমান মন্তব্য এনেধৰণৰ-**

**জ্যোৰ্তিপদাৰ্থবিদ Neil deGrasse Tyson মতে,** "part of knowing how to think is knowing how the laws of nature shape the world around us. Without that knowledge, without that capacity to think, you can easily become a victim of people who seek to take advantage of you"

**লেখক, বুৰঞ্জীবিদ Meera Nanda ৰ মতে,** " India cannot become a superpower in science, unless it eradicates its various superstitions including astrology"

এইদৰে জ্যোতিষশস্ত্ৰৰ ওপৰত বহুজনে বহু মন্তব্য দি আহিছে । দেশৰ এজন আগশাৰীৰ বিজ্ঞানী জয়ন্ত ভি নাৰ্লিকাৰে জ্যোতিষীবোৰক ' চেলেঞ্জ' কৰি এটা Statistical test পাতিছিল, অনুষ্ঠানটোত বিভিন্ন বিদ্যালয়ৰ পৰা সংগ্ৰহ কৰা এশজন ভাল ছাত্ৰৰ জন্মকুণ্ডলী আৰু এশজন মানসিক ভাৱে কিছু অক্ষম ছাত্ৰৰ জন্মকুণ্ডলীক একেলগ কৰি তাত উপস্থিত থকা ২৭ জন জ্যোতিষীক দিয়া হৈছিল । প্ৰতিজনকে Randomly চল্লিচ খনকে জন্মকুণ্ডলী দিয়া হৈছিল, আৰু কোনখন ভাল ছাত্ৰৰ জন্মকুণ্ডলী আৰু কোনখন মানসিক ভাৱে অক্ষম ছাত্ৰৰ জন্মকুণ্ডলী বিছাৰিব দিয়া হৈছিল। আৰ্চয্যজনকভাৱে য'ত নৱৈ শতাংশই জ্যোতিষীবোৰৰ গণনা ভুল প্ৰমাণিত হৈছিল । সেই সময়ত কৰ্ণাটকৰ চৰকাৰে টেলিভিছন প্ৰ'গ্ৰামত জ্যোতিষৰ প্ৰচাৰ সম্পূৰ্ণ ৰূপে বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল। ( সম্পাদকীয়, madhyaman, ১৯ ডিচেম্বৰ,২০১৫)

*(http://www.madhyamam.com/en/editorial/2015/dec/19/science-superstitions-and-media )*

ইয়াৰ উপৰিও দূৰ্গা পূজা,কালি পূজা সময়ত প্ৰয়ে বিতৰ্ক হোৱা এটা বিষয় হ'ল বলি প্ৰথা! Animal right activists ৰ পৰা সমাজৰ সচেতন ব্যক্তি সকললৈ বহুতেই বলি বা কোৰবাণিৰ বিৰোধিতা কৰি আহিছে যদিও ইয়াৰ সুপ্ৰভাৱ এচামৰ মাজত এতিয়াও পৰা নাই, যাৰ পৰোক্ষ বা প্ৰত্যক্ষ ভাৱে অনুপ্ৰাণিত হৈ সোণাৰী নিচিনা জাগাত এটা মাহৰ ব্যৱধানতে দুটা কৈ নৰবলিৰ নিচিনা ঘৃণনীয় ঘটনা হৈছে । এবাৰ হেৰুৱা ম'বাইল ফোন বিচাৰি কালী সাধকে চাৰি বছৰিয়া শিশুক বলি দি তন্ত্ৰ-মন্ত্ৰৰে পূজা পাতি আত্মগোপন কৰি আছিল। এক বিংশ শতিকাতো অন্ধবিশ্বাসৰ চৰম সীমা অতিক্ৰম কৰিব আৰু কি বাকি থাকিল এইখন অসমত ! এনেবোৰ ঠাইত সজাগতাৰ কাৰণে তৎকালেই যদি ব্যৱস্থা নলয়, এনেকুৱা ঘটনাৰ পুনৰাবৃত্তি আকৌ ঘটিব । কাৰোবাৰ কাৰণে অপ্ৰিয় হ'লেও ক'বলৈ বাধ্য যে পূজাৰ সময়ত বলিৰ দৰে জীৱ হত্যাৰ ছবিবোৰ যেতিয়াই দেখে এই মানসিক ভাৱে বিকাৰগ্ৰস্থ মানুহবোৰেও ভাৱে যে নৰবলিৰেও আমি দেৱীক সোনকালে প্ৰসন্ন কৰিব পাৰো । আৰু দেৱীৰ তাৎক্ষনিক প্ৰতিক্ৰিয়া পাব কাৰণে এনে কিছুমান ভয়ানক সমাজবিৰোধী, আইনবিৰোধী সিদ্ধান্ত লয় । এনেবোৰ ঠাইত বিজ্ঞানৰ সজগতা শিবিৰ খুব ঘনে ঘনে হ'ব লাগে । বিশেষকৈ চাহ জনগোষ্ঠীয় বসতিপূৰ্ণ ঠাইবোৰত অন্ধবিশ্বাসৰ মহামাৰী স্বৰূপ ,বেজালি, তন্ত্ৰ-মন্ত্ৰৰ দৰে অন্ধবিশ্বাসবোৰ আঁতৰাব ব্যক্তিগত ভাৱেই হওক বা চৰকাৰৰ সহযোগতেই হওক উচ্চশিক্ষিত লোকবোৰও



বিশেষ ভূমিকা ল'ব লাগে। গাঁৱৰ সচেতন ৰাইজেও এনে তান্ত্ৰিক বা বেজালি কৰা লোকৰ ওপৰত অধিক নজৰ ৰাখিব লাগে । সমাজত শিক্ষক,অধ্যাপক,চিন্তাবিদ, ৰাজনৈতিক নেতা আদিক অনুসৰণ কৰা মানুহ বহুত আছে, কাৰণ এইসকলে সাধাৰণ লোকতকৈ বেছি জানে বুলি ধৰা হয় । কিন্তু সেই সকলেই যদি নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বলি বিধান, জ্যোতিষ, তন্ত্ৰ-মন্ত্ৰৰ আশ্ৰয় লয়, তেন্তে সাধাৰণ মানুহেও নিশ্চিত ভাৱে একো বাছ-বিচাৰ নকৰাকৈয়ে এইবোৰক অন্ধভাৱে বিশ্বাস কৰাটো স্বাভাৱিক কথা । সেইহে আধুনিক সমাজত এই সকল লোকৰ অন্ধবিশ্বাস আঁতৰোৱা ক্ষেত্ৰতো এক বলিষ্ঠ ভূমিকা সদায়ে আছে ।

পৰম্পৰা বুলিয়েই প্ৰতি বছৰে হাজাৰ হাজাৰ হাহঁ,ছাগলী,ম'হৰ বলি হয়, আৰু বলিশালৰ চাৰিওফালে জুম বান্ধি জীৱশ্ৰেষ্ট বুলি কোৱা মানুহেই ইয়াৰ ৰং চাই থকা দেখা যায় !এইবাৰো ইয়াৰ ব্যতিক্ৰম নহ'ল !

ম'হ, ছাগলীক বাদ দি এইবাৰটো নিজৰ স্বাৰ্থৰ কাৰণে দুটাকৈ নৰবলিৰ দৰে ঘৃণনীয় ঘটনা ঘটিবলৈও বাকী নাথাকিল ! এনেবোৰ



মানুহৰ ইমান ঘৃনণীয় মানসিকতাৰ সৃষ্টিও এক চিন্তনীয় বিষয় ।এনে কিছুমান ভন্দ তান্ত্রিক, সাধকেই আমাৰ সমাজখন কলংকিত কৰা নাই নে? এটা যুগৰ অন্ধবিশ্বাসেই আন এটা যুগৰ পৰম্পৰা হয়গৈ । ঠিক সেইদৰে বলি হ'ল দেৱী উপাসনাৰ নামত এটা সময়ত চলা অন্ধবিশ্বাস,যি বৰ্তমানৰ পৰম্পৰা... !

সামাজিক সংস্কাৰ অথবা কিছু পাৰম্পৰিক ধ্যান ধাৰণাই মানুহক সমাজোপযোগী অনুশাসনেৰে বান্ধি ৰাখিব নিসন্দহে পৰম্পৰা আমাক লাগিবই কিন্তু , কোনবোৰ পৰম্পৰা একবিংশ শতিকাৰ মানুহ হিচাপে আজি আমি বিচাৰো ? যিবোৰ পৰম্পৰাই পুনৰ নৰবলিৰ দৰে ঘৃণনীয় কাৰ্যৰ বাবে কোনো মানসিকতাৰ সৃষ্টি কৰিব পাৰে , যিবোৰ পৰম্পৰাই সমাজত কু-সংস্কাৰ, বিশৃঙ্খলাৰ সৃষ্টি কৰে তেনে পৰম্পৰাক নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে অলপমান এৰাধাৰা কৰিব আমি কিয় আকোঁৰগোজ ? নিয়ম পৰম্পৰা এইবোৰ মানুহেই সৃষ্টি কৰিছে যিদৰে, মানুহেই সময় সাপেক্ষে বিজ্ঞানমনস্কতাৰে ইয়াৰ সমাধান বা বিকল্প আনিব লাগিব । যিদৰে এটা সময়ত কঠোৰ আইনেৰে সতীদাহ প্ৰথা, নৰবলিৰ দৰে পৰম্পৰাও আঁতৰোৱা হৈছিল !ইয়াৰ উপৰিও যোৱা বছৰ বন্ধ কৰা নেপালৰ তিনিশ বছৰীয়া পৰম্পৰা "GADHIMAI FESTIVAL" ৰ উদাহৰণো দিব পাৰি,য'ত বিশ্বৰ আটাইতকৈ বেছি বলি হৈছিল । লক্ষণীয় বিষয় যে এইবাৰ নিউজ চেনেলবোৰত ম'হ, ছাগলীৰ বলিৰ হিচাপ দি থকাৰ মাজতে এটা ভাল নিউজ দেখিলে । ওদালগুৰিৰ এখন গাঁৱৰ ৰাইজে বলি প্ৰথাক বিৰোধিতা কৰি এটা বৃহৎ সমদল ওলোৱা দেখা গ'ল । সচাঁকৈ এটা আদৰনীয় পদক্ষেপ । এনেবোৰ জনজাগৰনে মানুহৰ মানসিকতাক কিছু হলেওঁ পৰিবৰ্তন আনিব পাৰিব । প্ৰথম কথা মানুহৰ মানসিকতাৰ পৰিবৰ্তন হ'ব লাগিব,হাতত 'স্মাৰ্ট ফোন' লয় যদি আদিম মানুহৰ দৰে মানসিকতা হয়,তেন্তে প্ৰকৃতাৰ্থত সমাজখন আধুনিক হ'ব জানো ? বিজ্ঞানৰ ছাত্ৰসকলেও বিজ্ঞানত পঢ়িব লাগে বুলিয়েই; ডাক্তৰ, ইঞ্জিনিয়াৰ হ'ব লাগে বুলিয়েই "বিজ্ঞান" নপঢ়ি, বিজ্ঞানমনস্কতাৰে বস্তুবোৰ চাই সমাজত ঘটি থকা অপবিজ্ঞানৰ ওপৰতো মাত মাতিলেহে অন্ধবিশ্বাসৰ ডাৱৰ আঁতৰিব আৰু এক সুস্থ মানসিকতাৰ পৰিবেশ গঢ়ি উঠিব...!! কাৰণ মানুহৰ সুস্থ মানসিকতাৰ সৃষ্টি নহ'লে অনাগত দিনবোৰতো বিজ্ঞান- অন্ধবিশ্বাস এটা যুক্তি-তৰ্কৰ বিষয় হয়ে থাকিব ।।




# অন্ধবিশ্বাস, সন্দীপ মহেশ্বৰী আৰু অপবৈজ্ঞানিক বিশ্বাস

মানস প্ৰতিম দত্ত

'আহক আমি প্ৰত্যেকেই খোলা-মেলা যুক্তিবাদী মনেৰে আলৌকিক বুলি প্ৰচাৰিত ঘটনাবোৰ পৰ্যালোচনা কৰি চাওঁহক, এইবোৰনো প্ৰকৃততে আলৌকিক হয়নে নহয়। এইখিনিতে প্ৰতিজন পাঠক-পাঠিকালৈ মোৰ অনুৰোধ - যুক্তিবাদী মনৰ গৰাকী হ'বলৈ এই মুহূৰ্ততে প্ৰতিজ্ঞা কৰক- কোনো অন্ধবিশ্বাসৰ বশৱৰ্তী নহওঁ। বহুজনে বা বিখ্যাত ব্যক্তিয়ে মানি লৈছিল বুলিয়েই কোনো ধাৰণাক মানি নলওঁ, যুক্তিৰে চালি-জাৰি বিচাৰ কৰিম আৰু তাৰ পাছতহে গ্ৰহণ বা বৰ্জন কৰিম।'

**প্ৰবীৰ ঘোষ (আলৌকিক নয়, লৌকিক)**

বিজ্ঞান মনস্ক মন এটা গঢ় ল'বলৈ হ'লে ভাৰতীয় বিজ্ঞান আৰু যুক্তিবাদী সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক তথা যুক্তিবাদৰ পথিকৃতস্বৰূপ প্ৰবীৰ ঘোষে কোৱা উপৰোক্ত সংকল্প আমি গ্ৰহণ কৰিবই লাগিব। কিয়নো বিজ্ঞান হ'ল যুক্তি-যুক্ত আৰু বিশ্লেষণৰ প্ৰামাণিক সত্য, যি অন্ধবিশ্বাসৰ সম্পূৰ্ণ বিপৰীত।

অন্ধবিশ্বাস শব্দৰ সন্ধি ভাঙি ইয়াৰ অৰ্থ নিৰ্ণয় কৰিলেই ইয়াৰ মূল অৰ্থ প্ৰকাশ হৈ উঠে। চকুৰে নেদেখাকৈ, সত্যাসত্য প্ৰমাণ নোহোৱাকৈয়ে কৰা বিশ্বাসেই অন্ধবিশ্বাস। পৰম্পৰাগত চিন্তা, দেৱতা-অপদেৱতাৰ কাহিনী পঠন-শ্ৰৱণে আমাৰ মনোজগতত অন্ধবিশ্বাসৰ প্ৰাথমিক শিপা মেলাৰ পথ প্ৰশস্থ কৰে। বহু সময়ত দেখা যায় যে, আমাৰ পৰম্পৰাগত কিছুমান অবৈজ্ঞানিক চিন্তাধাৰা শিশু মনত প্ৰোথিত কৰাৰ পৰিৱৰ্তে 'নাপায়'ৰ সলনি প্ৰকৃত কাৰণসমূহ বুজাই নিদিয়াৰ ফলতো অন্ধবিশ্বাসে ঠন ধৰি উঠে। এই কথাটো বুজিবলৈ আমি দুটামান উদাহৰণ ল'ব পাৰোঁ। অন্ধবিশ্বাসৰ উদাহৰণ বুলিলেই প্ৰথমে মনলৈ আহে কিচকিচকৈ ক'লা মেকুৰীটোৰ কথা নহয়নে? আমি বহু সময়ত দেখা পাওঁ যে, আজোও বহুলোকে সন্মুখেদি মেকুৰী পাৰ হৈ গ'লে গাড়ীখন অলপ পিছুৱাই আনি তাৰ পিছতহে সেই ঠাইৰ পৰা আগলৈ যায়। আচলতে পুৰণি দিনত যেতিয়া আধুনিক গাড়ীৰ প্ৰচলন নাছিল, তেতিয়া মানুহে যাতায়তৰ বাবে গৰুগাড়ী বা ঘোঁৰা গাড়ী ব্যৱহাৰ কৰিছিল। যেতিয়া গৰু বা ঘোঁৰাই গাড়ী টানি গৈ থাকে তেতিয়া সন্মুখত হঠাৎ মেকুৰী বা অন্য বন্য জীৱ দেখিলে উচপ্ খাই উঠিছিল। ই এক স্বাভাৱিক প্ৰক্ৰিয়া। কিন্তু এই প্ৰক্ৰিয়া মানুহৰ মাজত থাকি গ'ল। সেয়েহে আজিও মানুহে অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ মেকুৰীয়ে বাট কাটিছে বুলি গাড়ী পিছুৱাই আনে বা অলপ ৰৈহে যায়।

এই উদাহৰণটো লিখি থকাৰ সময়তে মোৰ মবলৈ আহিছে ভাৰতবৰ্ষৰ অভিৰোচন প্ৰবক্তা সন্দীপ

মহেশ্বৰীৰ এটা উদাহৰণমূলক অন্ধবিশ্বাস বিৰোধী বক্তৃতাৰ কথা। বক্তৃতাটোত উল্লেখ কৰা কাহিনীটো আছিল এনেধৰণৰ-

এবাৰৰ কথা। কেইজনমান বিজ্ঞানী লগ হৈ এটা খুউব আমোদজনক পৰীক্ষা কৰিলে। তেওঁলোকে এটা গড়ালৰ ভিতৰত পাঁচটা বান্দৰ ভৰাই দিলে। গড়ালৰ ভিতৰত এডাল জখলা লগাই দিলে। সেউ জখলাডালৰ একেবাৰে ওপৰত এআখি কল ওলোমাই দিলে। কলখিনি দেখাৰ লগে লগে বান্দৰৰ লোভ লাগিল আৰু এটা এটাকৈ কলখিনি আনিবলৈ জখলাদি আগবাঢ়িলে। যেতিয়া বান্দৰে জখলাইদি গৈ সেই কলখিনিৰ ওচৰ পাই তেতিয়াই ওপৰৰ পৰা ঠাণ্ডা পানী নিগৰাই দিছিল। যেতিয়াই বান্দৰটোৰ গাত ঠাণ্ডা পানী পৰে তেতিয়াই বান্দৰটো খৰধৰকৈ তললৈ নামি আহে। বান্দৰটো তললৈ আহি পোৱাৰ লগে লগে পানী নিগৰোওৱা বন্ধ কৰি দিয়া হৈছিল। এনেকৈয়ে ইটোৰ পাছত সিটো বান্দৰ জখলাৰে ওপৰলৈ যাবলৈ চেষ্টা কৰে। কলখিনিৰ ওচৰ পালেই পানী পৰে, লগে লগে বান্দৰটো তললৈ নামি আহিবলৈ বাধ্য হয়। অৱশেষত বান্দৰবোৰে এইটো সিদ্ধান্তত উপনীত হ'ল যে জখলাত উঠিলেই ঠাণ্ডা পানী পৰে। তাৰ পাছত কোনো বান্দৰে যদি সেই জখলাডালত উঠিব চেষ্টা কৰে তেতিয়া বাকী বান্দৰবোৰে সেই বান্দৰটোক নমাই আনে আৰু মাৰিবলৈ ধৰে। তাৰ পাছত বিজ্ঞানীসকলে কৰিলে কি, সেই গড়ালত আৱদ্ধ বান্দৰকেইটাৰ পৰা এটা বান্দৰ আঁতৰাই তাত এটা নতুন বান্দৰ ভৰাই দিলে। সেই নতুন বান্দৰটোৱে এই বিষয়ে জনা নাছিল যে তাৰ ভিতৰত কি ঘটি আছে। সি যেতিয়াই কথাখিনি দেখা পালে, সেইখিনি আনিবলৈ জখলাত উঠিবলৈ চেষ্টা কৰিলে।কিন্তু এইবাৰ বিজ্ঞানীসকলে ওপৰৰ পৰা কোনোধৰণৰ পানী নিগৰাই নিদিলে। কিন্তু আন বান্দৰবোৰে এইবাৰো বান্দৰটোক ধৰি লগাই আনিলে আৰু মৰিয়াবলৈ ধৰিলে। তাৰপাছত পুনৰ আন এটা নতুন বান্দৰ গড়ালৰ ভিতৰত ভৰাই দিলে। সিয়ো কলখিনি দেখাৰ লগে লগে জখলাৰে কলখিনি আনিবলৈ জখলাত উঠাৰ লগে লগে অন্য বান্দৰবোৰে তাক ধৰি মাৰিবলৈ ধৰিলে। লাহে লাহে এই কথাটো বান্দৰবোৰে ঠিক কৰি ল'লে যে জখলাৰ ওপৰলৈ যাব নাপায়। তাত কিবা অপশক্তি আছে। সেয়েহে, যিয়ে তালৈ যায় সিয়ে আন বান্দৰৰ পৰা মাৰ খায়। কোনেও কিন্তু পূৰ্বৰ প্ৰকৃত কাৰণটো জানিবলৈ চেষ্টা নকৰিলে।

গতিকে, সন্দীপ মহেশ্বৰীৰ এই উদাহৰণটোৰ সৈতে ওপৰত উল্লিখিত ক'লা মেকুৰীৰ বিষয়ক অন্ধবিশ্বাসটো তুলনা কৰিলেই অন্ধবিশ্বাস কেনেকৈ গঢ় লৈ তাক সহজে বুজিব পাৰি।

এতিয়া আহো আন এটা অন্ধবিশ্বাস - 'আগফালে তেতেলী, পাছফালে ঔ, সেইঘৰ মানুহ মৰিবৰ হ'লনে নৌ'ৰ কথালৈ। পুৰণি দিনত হাবিৰ পৰা হৰিণবোৰ তেতেলী খাবলৈ আহিছিল। সেই হাবিৰ হৰিণবোৰ অহাৰ ফলত চিকাৰ বিচাৰি বাঘ অহাৰ সম্ভাৱনা থাকে। একেদৰে পাছফালে ঔ টেঙাৰ গছ থাকিলে হাতী অহাৰ সম্ভাৱনা থাকে। হাতী আহিলে ঘৰ দুৱাৰ ভঙা অথবা মানুহ গচকি আঘাত কৰাৰ সম্ভাৱনা নথকা নহয়। সেয়েহে সেই সময়ত এনে কথা কোৱা হৈচিল। কিন্তু সম্প্ৰতি এনে হাবিকাষৰীয়া ঠাইবোৰ নোহোৱা হ'ল। মানুহৰ জনবসতি বাঢ়িল। গতিকে, এই দুবিধ গছ য'ত থাকিলেও কোনো ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা নাই। অথচ ই আজি জন-বিশ্বাসৰ পৰা অন্ধবিশ্বাসৰ ৰূপ লৈছেগৈ। যুক্তিহীনভাৱে এই ফকৰাটি বৰ্তমানেই ব্যৱহাৰ কৰি থকা হৈছে। ইয়াৰ ফলত ঔষধি মানসম্পন্ন এই দুবিধ গছৰ সংৰক্ষণ তথা ভৱিষ্যতৰ প্ৰতিও ভাবুকি নামি

আহিছে। আমাক ফল দি, তৃপ্তি দি, বিশুদ্ধ অক্সিজেন দি, আমাক ৰক্ষা কৰি অহা গছবোৰ সংৰক্ষণ কৰাটো আমাৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য। তেতেলী, ঔটেঙাৰ দৰে মদাৰ, বকুল, আদিও অন্ধবিশ্বাসৰ কবলত পৰি কমি অহা যেন অনুভৱ হৈছে।

অন্ধবিশ্বাসৰ কবলত যে কেৱল অশিক্ষিত জনেই যে বান্ধ খাই এনে নহয়। বহু অন্ধবিশ্বাস শিক্ষিত ব্যক্তিৰ বাবেই আজিও বৰ্তি আছে। আমাৰ বহুতেই ভাবে যে, বিজ্ঞান বিভাগত শিক্ষাগ্ৰহণ কৰিলেই এজন ব্যক্তি বিজ্ঞান মনস্ক হৈ পৰে। আচলতে এইষাৰ কথা ভ্ৰান্ত ধাৰণাৰ বাদে আন একো নহয়। বিজ্ঞান মনস্ক হ'বলৈ ব্যক্তি এজন বিজ্ঞান বা কলা বা বাণিজ্য শাখাত পঢ়িবই লাগিব বুলি কোনো কথা নাই। আনুষ্ঠানিক শিক্ষা নথকা ব্যক্তি এজনো বিজ্ঞান মনস্ক হ'ব পাৰে বা আনুষ্ঠানিক শিক্ষা থকা ব্যক্তি এজনো অন্ধবিশ্বাসৰ চিকাৰ হ'ব পাৰে। বিজ্ঞান মনস্ক হ'বৰ বাবে লাগে এক যুক্তিবাদী, জ্ঞান অন্বেষী মন। বিজ্ঞান শাখাত পঢ়া বহুতো তথাকথোত শিক্ষিত লোকৰ মাজতো অন্ধবিশ্বাস আজিও বিয়পি আছে। তাৰেই জ্বলন্ত উদাহৰণ ২০২১ বৰ্ষৰ জানুৱাৰী মাহৰ অন্ধ্ৰপ্ৰদেশত সংঘটিত হোৱা এক জঘন্য কাণ্ড। ঘটনাৰ স্থান চিতোৰ জিলাৰ মদনাপল্লেৰ। তাতে সংঘটিত হৈছে এক নৃশংস কাণ্ড। আমি সদায় যাৰ কোলাত সবাতোকৈ বেছি নিৰাপদ অনুভৱ কৰো সেয়া জানো পিতৃ-মাতৃৰ বাদে আন কোনোবা হ'ব পাৰে! অথচ পিতৃ-মাতৃৰ হাততে অন্ধবিশ্বাসৰ বলি হৈ প্ৰাণ হেৰুৱাবলগীয়া হৈছে দুগৰাকী শিক্ষিত যুৱতী আলেক্যা আৰু চাই দিব্যাই। পিতৃ-মাতৃও উচ্চ শিক্ষিত। মাতৃ ভি পদ্মজা গণিতৰ স্নাতকোত্তৰ আৰু পিতৃ ৰসায়ন বিজ্ঞানৰ অধ্যাপক ভি পুৰুষোত্তম নাইডু। এই পিতৃ-মাতৃ আছিল ভণ্ড বাবাজীৰ ভক্ত আৰু ভণ্ডৰ ভণ্ডামিত ভোল গৈ কৰি পেলালে পিতৃ-মাতৃয়ে কেতিয়াও, কোনোদিনে নকৰা জঘন্য কাণ্ড। ঘটনাটো এনেধৰণৰ - দুই কণ্যা আলেক্যা আৰু চাই দিব্যাৰ সৈতে সুখেৰে বসবাস কৰিছিল পৰিয়ালটো। তেওঁলোকে গম পালে বোলে দুই কণ্যা মৃত্যুৰ পাছত পুনৰ উভতি অহাৰ সক্ষমতা আছে আৰু এয়া পৰম সত্য। সেয়েহে দুয়ো ডাম্বল বেলেৰে দুই কণ্যাক হত্যা কৰিলে। যেতিয়া পুলিচ ঘটনাস্থলীলৈ গ'ল তেতিয়া তেওঁলোকে এনিশাৰ সময় বিচাৰিছিল আৰু পুৱালৈ মৃত দুই কণ্যাই প্ৰাণ পাব বুলিও কৈছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

এই ঘটনাই আমাক বহু কথাই কৈ গ'ল । কেৱল উচ্চ ডিগ্ৰীধাৰী হ'লেই অন্ধবিশ্বাস বিৰোধী হ'ব বুলি কোনো কথা নাই । এওঁলোকে কেৱল।পঢ়িলেহে। জ্ঞানী বা শিক্ষিত ব্যক্তি হয়তো নহ'ল।

গ্ৰহণৰ বেলিকাও অপবৈজ্ঞানিক তত্বৰে এচাম শিক্ষিত মানুহে অন্ধবিশ্বাস প্ৰশ্ৰয় দিয়া দেখা যায়।লেখক, বিজ্ঞানী, চিন্তাবিদ জয়ন্ত নাৰ্লিকাৰে তেখেতৰ অভিজ্ঞতাৰে দ্য হিন্দু কাককত 'Science should have the last word' অৰ্থাৎ বিজ্ঞানেই শেষ কথা হোৱ উচিত শীৰ্ষক লেখাত এচাম তথাকথিত শিক্ষিত মানুহে গ্ৰহণৰ সময়ত কেনেদৰে অন্ধবিশ্বাসৰ বলি হয় সেই বিষয়ে এটা উদাহৰণ দি লিখিছে - As a housewife from a well-educated family once explained to me, the food in the fridge is supposed to be destroyed after an eclipse as evil rays will have contaminated it. However, the local priest had a solution which would avoid the food being wasted. His solution, the woman proudly told me, was to smear the fridge with cow dung, which would protect the food. ( এগৰাকী শিক্ষিত গৃহিণীয়ে এবাৰ মোক

কৈছিল যে গ্ৰহণৰ বেলিকা যিবোৰ খাদ্যসামগ্ৰী ফ্ৰীজত থাকে সেইবোৰ নষ্ট কৰি পেলাব লাগে। কিয়নো এই সামগ্ৰীবোৰ ভয়ানক ৰশ্মিয়ে দূষিত কৰে। ইয়াৰ সমাধান সম্পৰ্কে মহিলাগৰাকীয়ে গৌৰৱেৰে এজন পুৰোহিতৰ কথা ক'লে আৰু সেই পুৰোহিতজনে হেনো খাদ্য সামগ্ৰী নষ্ট নহ'বৰ উপায়ো দিছে যে ফ্ৰিজৰ চৌপাশে গোবৰৰ প্ৰলেপ দিলে তাত সেই ভয়ানক ৰশ্মি প্ৰৱেশ কৰিব নোৱাৰে।)

এনেদৰেই বহুতো অবাস্তৱ আৰু অপবৈজ্ঞানিক বিশ্বাসে সমাজখনক কলুষিত কৰি আহিছে। সাম্প্ৰতিক সময়ত প্ৰযুক্তিবিদ্যাৰ সহায়ত তথা তথাকথিত 'হোৱাটছ্ এপ য়ুনিভাৰ্চিটি'ৰ উদ্যোগত অপবৈজ্ঞানিক বিশ্লেষণেও অন্ধবিশ্বাস বৃদ্ধিত অৰিহণা যোগাইছে। বিভিন্ন ৱেবচাইটত ভুৱা তথ্য প্ৰকাশ কৰি সেই তথ্যৰ অৰ্থহীন, বিসংগতিপূৰ্ণ বিশ্লেষণেৰে তাক সত্য প্ৰমাণ কৰিবলৈ উঠি পৰি লাগে। মূলত: অপবিজ্ঞান হ'ল বিজ্ঞান বুলি প্ৰমান কৰিবলৈ ব্যৱহৃত ভুৱাকৈ সৃষ্ট বিজ্ঞান। জয়ন্ত নাৰ্লিকাৰে অপবৈজ্ঞানিক অন্ধবিশ্বাস কেনেদৰে বিয়পে সেই সম্পৰ্কে 'Science should have the last word ' লেখাটোতে বৰ্ণনা কৰিছে । তেখেতে বাৰ্মুডা ত্ৰিভুজৰ উদ্ধৃতিৰে কৈছে যে বাৰ্মুডা ত্ৰিভুজৰ বিষয়ে প্ৰচলিত আলৌকিক কথাবোৰ অন্ধবিশ্বাসৰ বাদে আন একো নহয়। এই ক্ষেত্ৰত বাৰ্মুডা সম্পৰ্কীয় বিভিন্ন কথাৰে চাৰ্লচ বাৰ্লিট্জ নামৰ বিজ্ঞানীজনে কিছুমান ৰহস্য ঘন কথা লিখি এনে ৰহস্যময় কথাবোৰ মানুহৰ মাজলৈ বিয়পি যোৱাত সহায় কৰিছিল। পৰৱৰ্তী সময়ত বাৰ্মুডাৰ ৰহস্য ভেদ কৰিবলৈ বহুতো অভিযান আৰম্ভ হৈছিল। সেই সম্পৰ্কে নাৰ্লিকাৰে প্ৰবন্ধটোত লিখিছে - *Lawrence David Kusche did seminal work in debugging the Triangle stories. His investigations have shown that the stories were either inflated, or did not tell the whole truth, or tinkered with the vital part of the evidence. Thus, one can safely say that there is no tangible evidence to ascribe an alien character to the Bermuda Triangle.* (লৰেন্স ডেভিড কুচ্ছ নামৰ লেখকজনে এই ৰহস্য উদঘাটনৰ বাবে অভিযান চলাইছিল। তেওঁৰ অনুসন্ধানে দেখুৱাই যে এই কাহিনীবোৰ আচলতে অৰ্দ্ধসত্য, বঢ়াই কোৱা ধৰণৰ আৰু কোনো প্ৰমাণ নাই। গতিকে, আমি ক'ব পাৰো যে বাৰ্মুডা ত্ৰিভুজৰ কোনো ৰহস্য নাই, বা তাত কোনো এলিয়েনৰ দৰে চৰিত্ৰ বা জীৱ নাই।)

সভ্যতাৰ শিখৰত আৰোহণ কৰা মানৱ সমাজক পুনৰ লজ্জানত কৰিলে কেইজনমান অন্ধবিশ্বাসৰ মুখা পিন্ধা ভীৰুৱে। অন্ধবিশ্বাসৰ কবলত যে কেৱল অশিক্ষিত জনেই যে বান্ধ খাই এনে নহয়। বহু অন্ধবিশ্বাস শিক্ষিত ব্যক্তিৰ বাবেই আজিও বৰ্তি আছে। আমাৰ বহুতেই ভাবে যে, বিজ্ঞান বিভাগত শিক্ষাগ্ৰহণ কৰিলেই এজন ব্যক্তি বিজ্ঞান মনস্ক হৈ পৰে। আচলতে এইষাৰ কথা ভ্ৰান্ত ধাৰণাৰ বাদে আন একো নহয়।

অন্ধবিশ্বাস বিয়পাৰ মূল কাৰণেই হ'ল শৈক্ষিক আৰু ৰাজনৈতিক। সাক্ষৰহীন আৰু সাক্ষৰ সকলোৰে মাজত ই কম-বেছি পৰিমাণে বিয়পি আছে। শ্ৰেণী বিভক্ত সমাজ এখনত ৰাজনৈতিক প্ৰতিপত্তিৰ বাবেও অন্ধবিশ্বাস জীয়াই নৰখা নহয়। এই সময় বৰ ভয়াৱহ। তাৰ মাজতে অন্ধবিশ্বাস আঁতৰাই পেলোৱাটো সহজ কাম নহয় যদিও অসম্ভৱ নহয়। আমি আমাৰ মাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰিবলৈ সু-সংগঠিতভাৱে আগবঢ়াই নিব লাগিব।কাৰণ এয়া আমাৰ সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য।



# বিশ্বাস, অন্ধবিশ্বাস আৰু সমসাময়িক সমাজ ব্যৱস্থা

জিতুল বৰা

প্ৰচলিত ৰীতি-নীতি আৰু পৰম্পৰাৰ ওপৰত বহু পৰিমাণে এখন সমাজ নিৰ্ভৰ কৰে। বৰ্তমান সমাজ ব্যৱস্থাত বিশ্বাস আৰু অন্ধবিশ্বাসৰ প্ৰভাৱ অপৰিসীম। ইতিহাসৰ পৃষ্ঠা লুটিয়ালে দেখা যায় যে , আদিম কালত মানুহৰ জীৱন ধাৰণৰ প্ৰণালী এতিয়াৰ দৰে নাছিল । সেই সময়ত মানুহে খাদ্য, বাসস্থান আৰু বস্ত্ৰৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হৈছিল। খাদ্যৰ সন্ধানত তেওলোক এঠাইৰ পৰা আন ঠাইলৈ ঘুৰি ফুৰিব লগা হৈছিল। যিদিনাৰ পৰা এই অঘৰী জীৱন ত্যাগ কৰি মানুহে সমাজ পাতি সভ্য ভাৱে জীৱন নিৰ্বাহ কৰিব লৈছিল আৰু তেতিয়াৰ পৰাই অন্ধবিশ্বাসৰ সূচনা হৈছিল বুলি ক'ব পাৰি। বিশ্বাস আৰু লোকবিশ্বাস কোনো এখন সমাজত পৰম্পৰাগত ভাবে চলি থাকে । এই বিশ্বাস বা লোকবিশ্বাসে বহল পৰিসৰত অন্ধবিশ্বাসকো সামৰি লয়। বিশ্বাসৰ অন্য নাম ভৰষা। যি ঠাই বা মানুহৰ ওপৰত ভৰসা কৰিব পাৰি তাতেই বিশ্বাসৰ সৃষ্টি হয়। আনহাতে, অন্ধবিশ্বাস শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Superstition' । এই "Superstition" শব্দটো লেটিন "Stare' শব্দৰ পৰা উৎপত্তি হৈছে। প্ৰখ্যাত দাৰ্শনিক Edmund Burke ৰ মতে " superstition is the religion of feeble mind."


কোনো এখন সমাজত মানুহ যিমানে শিক্ষা দীক্ষা আদিত আগবঢ়া নহ'ওক কিয় শতকৰা ৫০% ভাগ মানুহেই লোকবিশ্বাস নাইবা অন্ধবিশ্বাসৰ লগত প্ৰতক্ষ বা পৰোক্ষ ভাৱে জড়িত হৈ পৰে ! বৰ্তমান বিজ্ঞানৰ জয়-জয়, ময়-ময় অৱস্থাত মানুহ যিমানেই সভ্যতাৰ উচ্চ শিখৰত গতি নকৰক কিয় তথাপিও কিন্তু অন্ধবিশ্বাসক এৰাই চলিব পৰা নাই । একবিংশ শতিকাৰ তথ্য প্ৰযুক্তিৰ বিদ্যাৰ যুগতো অন্ধবিশ্বাসে কুসংস্কাৰ বোৰে কলুষিত কৰিছে সমাজখনক । যি সময়ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী য়ে "ডিজিটেল ইন্ডিয়া" ৰ কথা কৈছে আৰু দেশ তথা জনতাৰ উন্নয়নৰ বাবে বিভিন্ন জনকল্যাণ মূলক আচঁনি লৈছে, ছোৱালী শিক্ষাৰ প্ৰসাৰৰ বাবে বেটি বচাও বেটি পঢ়াও শ্লোগান আৰম্ভ কৰিছে আৰু ঠিক সেই সময়তে আমাৰ সমাজ ব্যৱস্থাত নিতৌ গঢ় লৈ উঠিছে না না সামাজিক সমস্যাৰ। এই

সমস্যা সমূহৰ ভিতৰত অন্ধবিশ্বাস আৰু কুসংস্কাৰ অন্যতম । ডাইনী হত্যা, সোপাধৰা, কণ্যা শিশু জন্মত বাধা, যৌতুক ইত্যাদি বিভিন্ন সামাজিক সমস্যা। এই সমস্যা সমূহৰ আজিও যেন এক স্থায়ী সমাধান সূত্ৰ উলিয়াব পৰা নাই। এই সমস্যা সমূহৰ মূলতে হল শিক্ষা । মানুহ যিমানেই ধনী বা আৰ্থিকভাৱে উন্নত নহওঁক কিয় যদি শিক্ষাৰ প্ৰসাৰ সমভাৱে নহয় তেতিয়াও এনেধৰণৰ সমস্যা বিলাক থাকিবই। এতিয়াও দেশৰ বহু ঠাইত শিক্ষাৰ পোহৰ পৰা নাই, পৰা নাই বিজুলী বাতিৰ প্ৰসাৰ , দাৰিদ্ৰতাই যেন দেশৰ স্বাধীনতা লাভ কৰাৰ সাতটা দশকৰ পাছতো লগ এৰা নাই।

বিজ্ঞানৰ যতেই বিফল হৈছে তাতেই অন্ধবিশ্বাসৰ জন্ম হৈছে । বিজ্ঞানে দ্ৰুত গতিত আগুৱাই যোৱাৰ পিছতো বহুতো ঠাইত শিক্ষাৰ পোহৰ পৰাগৈ নাই । অন্ধবিশ্বাস কুসংস্কাৰ যে অকল অশিক্ষিত ঠাইত শিপাইছে তেনে কথা নহয় শিক্ষাৰ পোহৰ পৰা উন্নয়ন শীল দেশ বোৰ ও এই কুসংস্কাৰৰ বলি হৈ আহিছে ! উল্লেখযোগ্য যে অন্ধবিশ্বাস বা কুসংস্কাৰ অশিক্ষিত বা অনুন্নত দেশতেই অধিক তেনে নহয়, শিক্ষাৰ পোহৰ পৰা উন্নয়নশীল দেশসমূহতো ইয়াৰ প্ৰভাৱ পৰিছে। এক কথাত কবলৈ গ'লে বিজ্ঞানৰ যতেই বিফল হৈছে ততাতেই অন্ধবিশ্বাস জড়িত হৈ আছে। ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে প্ৰাক ঐতিহাসিক কালত আৰ্য্য সকল ভাৰতবৰ্ষত বসবাস কৰাৰ পিছৰ পৰাই ভাৰতীয় সভ্যতাৰ আৰম্ভণি হয় । আৰ্য সকলে ধৰ্মৰ জৰিয়তে ভগৱানক পূজা পাতল আদিৰ জৰিয়তে মানুহক একত্ৰিত কৰিছিল । মানুহে যাতে বেয়া কাৰ্য্যত লিপ্ত, নহয় সেই হেতু ধৰ্মৰ ভয় দেখুৱাই অন্ধবিশ্বাসৰ বলি কৰিছিল ! সেইদৰে প্ৰাক স্বাধীনতা কালতো আমাৰ ভাৰতবৰ্ষ অন্ধবিশ্বাস কুসংস্কাৰেৰে পৰিপূৰ্ণ আছিল। সেই সময়ত শিশু বধ , বাল্য বিবাহ ,সতীদাহ প্ৰথা আদিৰ দৰেই জঘন্য অন্ধবিশ্বাসৰ বলি হৈ নিস্পাপ শিশু ফুলকুমলীয়া কন্যা সন্তানৰ নিৰ্মম ভাৱে হত্যা কৰা হৈছিল ! এতিয়াও ভাৰতবৰ্ষৰ পিছপৰা ঠাইত এইবোৰ অমানৱীয় কাৰ্য্য সংঘটিত হৈ আছে ।

বৰ্তমান যুগত সামাজিক অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিলাকে প্ৰচলিত সমাজ জীৱনত বিৰুপ প্ৰভাৱ বিস্তাৰ কৰিছে । এই অন্ধবিশ্বাস বা কুসংস্কাৰৰ বিৰুদ্ধে আমি সকলোৱে মাৰবান্ধি ওলাই আহিব লাগে। বৰ্তমান অসমত সঘনাই দেখা দিয়া সমস্যা হৈছে ডাইনী হত্যা । এই ডাইনী হত্যা কোনো নতুন ঘটনা নহয়। যুগ যুগ ধৰি চলি আহিছে এই প্ৰথা । বিশেষকৈ চাহ জনগোষ্ঠীৰ বা অন্যান্য জনজাতি সকলৰ মাজত এই পথাৰ প্ৰচলন অধিক।সেইদৰে , সোপাধৰা আৰু পিছল মানুহো তেনে এক প্ৰকাৰৰ কু সংস্কাৰ বা অন্ধবিশ্বাস। সোপাধৰা হৈছে ,এনে কিছুমান অপহৰণকাৰী যি জনে ৰাষ্টাৰে গৈ থকা লৰা ছোৱালী বা ঘৰৰ ভিতৰৰ পৰা মোখত সোপা দি অপহৰণ কৰে। পিচল মানুহ আকৌ আৰু এখোপ চৰাহে। ইয়াৰ কাৰু কাৰ্য সোপাধৰাৰ দৰেই যদিও অলপ বেলেগ।পিছল মানুহ কোনেও হেনো ধৰিবই নোৱাৰে গোটেই গাটো তাৰ হেনো পিচল; ধৰিবকে নোৱাৰি ।

বৰ্তমান যুগত এই অন্ধবিশ্বাসৰ মাত্ৰা বৃদ্ধি পাইছে। এই ক্ষেত্ৰত চৰকাৰেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আমিও সজাগ আৰু সচেতন হ'ব লাগে। বিভিন্ন ধৰণৰ সামাজিক মাধ্যম যেনে-হোৱাইটচ এপ ,ফেচবুক আদি প্ৰতিজন ব্যৱহাৰকাৰীয়ে সাৱধানতা অৱলম্বন কৰা উচিত।এই ক্ষেত্ৰত প্ৰচাৰ মাধ্যমেও ইতিবাচক ভূমিকা গ্ৰহণ কৰিব লাগে।ছাত্ৰ-ছাত্ৰী সকলক প্ৰাথমিক স্তৰৰ পৰাই অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ ওপৰত শিক্ষা প্ৰদান কৰিব লাগে।জনসাধাৰণৰ মাজত বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰিব লাগে।অন্ধবিশ্বাসৰ বলী হোৱা ব্যক্তিৰ অপৰাধী বা দোষীককৰায়ত্ব কৰি উচিত শাস্তি দিব লাগে।



# প্ৰশ্ন কৰক, 'নিয়ম' ভাঙক


মৃন্ময় কুমাৰ নাথ

গাড়ীৰ ড্ৰাইভিঙ চিটত অভিযন্তা বন্ধু।বেগেৰে গাড়ী চলোৱাটো তাৰ নিচা।সিদিনা দুয়ো এঠাইৰ পৰা আহি আছো।ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে সি গাড়ী চেকুৰাইছে।মিউজিক চিষ্টেমত বাজি আছে প্ৰিয় গান। তন্দ্ৰালস ভাৱত চকু দুটা মুদি দিছো আৰু তেনেতেই বিকট শব্দ কৰি সি গাড়ীখন ৰখালে।ব্ৰেকত ভৰিৰ সজোৰ হেঁচা।কোনোমতে নিজক চম্ভালি চকু মেলি দেখো মেকুৰী এটা ঘাইপথৰ সিপাৰ হৈছে।বন্ধুৱে লগে লগে গাড়ীখন তিনিবাৰ আগুওৱা পিছুওৱা কৰিলে।এনেকুৱা কেইবাটাও অন্ধবিশ্বাস তাৰ আছে।যুক্তি তৰ্কই আগতেও কাম দিয়া নাই, এতিয়াও নিদিয়ে বুলি নিশ্চিত হৈ তাৰ ক্ৰিয়া কাণ্ড চাই আহি থাকিলো।বাটত সি পাঁচবাৰ মেকুৰীজনীক গালি পাৰিলে।মেকুৰীয়েও নিশ্চয়কৈ সেইখিনি পৰত মনতে তাক গালিয়েই পাৰি আছিল।তাৰ বাবে মেকুৰীজনী ৰাস্তা পাৰ হোৱাৰ অপৰাধতে যদি ইমান অমংগলীয়া হ'ব পাৰে তেন্তে মেকুৰীজনীৰ বাবে দেহাটো গাড়ীৰে চেপি পিঠা কৰি পেলাবলৈ উলিওৱা ড্ৰাইভাৰৰূপী সি অমংগলীয়া নহ'ব কিয়?

বন্ধুৰ দৰে আৰু বহু মানুহৰে এনে অন্ধবিশ্বাস আছে।বহু শিক্ষিত মানুহেই ভীষণ অন্ধবিশ্বাসী।কেতিয়াবা ধৰ্মৰ নামত, কেতিয়াবা শণি-ৰাহু-কেতুৰ কোপদৃষ্টিৰ পৰা ৰক্ষাৰ অজুহাতত এনে লোকসকলে নানান অন্ধবিশ্বাস জড়িত কাম কাজ কৰি থাকে।বহু বিজ্ঞান শিক্ষকে আঙুলিত পাঁচ ছয়টা আঙুঠি পিন্ধে।এই অন্ধবিশ্বাসক সম্বল কৰিয়েই অন্য এচামে ধন উপাৰ্জনৰ পথ বিচাৰি লয়। গুৱাহাটী মহানগৰীতে আজিৰ তাৰিখত মানুহৰ সমস্যাৰ সমাধান সূত্ৰ আগবঢ়োৱা কিমান ভণ্ড জ্যোতিষী আছে তাৰ হিচাপ নাই। এওঁলোকৰ এজনে কিবা চোৰাং বেহাত লিপ্ত হৈ শেষত পুলিচৰ ভয়ত পলাই ফুৰিব থাকিবলগীয়া হোৱাৰ খবৰো ওলাইছিল। ইমানৰ পিছতো এনে

লোকৰ ওচৰত কপালৰ দোষ খণ্ডণৰ বাবে বহু টকা মাননি দিও মানুহ যায়!কিমান অন্ধবিশ্বাসী হ'লে এজন মানুহে পুলিচৰ ভয়ত পলাই ফুৰা এজন ভণ্ডক সংকট মোচক হিচাপে জ্ঞান কৰিব পাৰে?তাবিজ ওলোমাই সংকট দূৰ কৰিব পৰা হ'লে সেই জ্যোতিষীয়ে নিজেই এটা তাবিজ পিন্ধি পুলিচৰ পৰা সাৰি নগ'ল কিয়?দুখৰ কথা,এইবোৰ প্ৰশ্ন কোনেও নিজকে নকৰে।সেইবাবেই এই দেশত হত্যাকাৰী ৰাম ৰহিমেও ঈশ্বৰৰ অৱতাৰ বুলি পূজা লাভ কৰে!ৰাম ৰহিমৰ দৰে কিমান অপৰাধী এতিয়া আমাৰ অন্ধবিশ্বাসক কেঁচামাল সাজি একো একোগৰাকী কোটিপতি তাৰ হিচাপ নাই।এনে সাধুৰ নানান কাহিনী সময়ে সময়ে প্ৰকাশ পাইয়ে আছে।তথাপি ভক্তগণ ক্ষান্ত হোৱা নাই।আৰক্ষীয়ে চোচৰাই নিনিয়ালৈকে এনে ঈশ্বৰৰ অৱতাৰৰ আশ্ৰমত ভক্তই সেৱা, নৈবেদ্য আগবঢ়াইয়ে আছে।

ৰাজা ৰামমোহন ৰায়ে সতীদাহ প্ৰথা দূৰ কৰিছিল।বিধৱা বিবাহৰ সপক্ষে যুঁজ দি ইশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে নিজেই বিধৱা বিবাহ কৰাইছিল।এইবোৰ প্ৰায় দুটা শতিকা আগৰ কথা।সেই সময়ৰ এই প্ৰগতিবাদীসকলৰ তুলনাত আমাৰ বহুতৰেই মানসিকতা বহু পিছ পৰা।অসমতেই শংকৰদেৱৰ দৰে সমাজ বিজ্ঞানী, সমাজ সংস্কাৰক এগৰাকী উপজিছিল।ভেদ ভাৱহীন সমাজ গঢ়াৰ বাবে তেওঁ মাথো ধৰ্মপ্ৰচাৰেই কৰা নাছিল।সমান্তৰালভাৱে সমাজ সংস্কাৰো কৰিছিল।নামঘৰৰ মাধ্যমত তেওঁ মানুহক একগোট কৰালে, বৰগীত আৰু অংকীয়া নাটৰ মাধ্যমেৰে মানুহক ধৰ্ম কথা শুনালে।সমাজৰ মনস্তত্ব তেওঁ বুজিছিল।এখন ৰক্ষণশীল সমাজে গুৰু গম্ভীৰ ধাৰ্মিক তত্বকথাত ৰস নাপাব বুলি বুজিয়েই তেওঁ তত্ব চৰ্চাৰ বাবে সংগীত অথবা নাটকক মাধ্যম হিচাপে লৈছিল। ১৫ আৰু ১৬




শতিকাত শংকৰদেৱে ভবা কথাবোৰ আমি আজিও ভাবিব পৰা নাই।আমি সেই পৰ্যায়ৰ আধুনিক মননৰ গৰাকীয়েই হ'ব নোৱাৰিলো।আমি বুলেট ট্ৰেইনৰ কথা কও কিন্তু ভূমি পূজন নকৰাকৈ কোনো কামত হাত নিদিও।পুহ মাহটো অমংগলীয়া বুলি শৰাইঘাটৰ নতুন দলঙৰ শুভাৰম্ভৰ দিনেই পিছুওৱা হৈছিল।পোন্ধৰ শতিকাৰ শংকৰদেৱ,উনৈছ শতিকাৰ ৰাজা ৰামমোহন অথবা বিদ্যাসাগৰ আছিল একবিংশ শতিকাৰ ফ'ৰ জি ইণ্টাৰনেট সেৱা সহ স্মাৰ্ট ফোনৰ গৰাকী আমিবোৰতকৈ বহু বেছি আধুনিক।আমি আধুনিক নহয়।আমি অন্ধবিশ্বাসী।


মন কৰিব আমাৰ বেছিভাগ অন্ধবিশ্বাসৰ আঁত এডাল ধৰ্মৰ সৈতে সাঙোৰ খাই থাকে।ধৰ্ম এক সংবেদনশীল বিষয় বাবেই সেই অন্ধবিশ্বাসসমূহক ধৰ্মৰ নামতেই মান্যতা দি পেলাবলগীয়া হয়।উদাহৰণস্বৰূপে বলি বিধানৰ কথাই ক'ব পাৰি।পূৰ্বতে নৰবলি প্ৰথা আছিল।এতিয়া আইন-কানুনৰ ভয়ত সেই প্ৰথা

আঁতৰিল।তথাপি বলি বিধানৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাস বাহাল আছে।ম'হ বলি দিয়েই একো একোগৰাকী চৰম দুৰ্নীতিত নিমজ্জিত মানুহে স্বৰ্গ প্ৰাপ্তিৰ সপোন দেখি আছে।মূল কথাটো হ'ল যিদৰে নৰবলিৰে ঈশ্বৰক তুষ্ট কৰিব নোৱাৰি সেইদৰে ম'হ বলিৰেও নোৱাৰি।আইনৰ ভয়ত মানুহে নৰবলিৰ প্ৰথাটো এৰিলে,পিছে বেচেৰা ম'হ কেইটাৰ সৈতে আইন কানুন নাই বাবে সিহঁতক একেটা অযুক্তিৰ ওপৰত ভিত্তি কৰিয়েই বৰ নিৰ্দয়ভাৱে বলি দি গৈছে।জীৱ এটাক ঈশ্বৰৰ নামত বধ কৰাৰ অধিকাৰ মানুহৰ নাই, কিন্তু আমি সেয়া বুজিব এনেকি ভাবিবও বিচৰা নাই।ধৰ্ম এক সংবেদনশীল বিষয় বুলি কোনেও এনে বিষয়ত মাত মাতিব নিবিচাৰে।কিন্তু আচলতে সেয়া ধৰ্ম নহয় অধৰ্মহে।আৰু এই অধৰ্মক আমি উৎসাহিত কৰি যোৱাৰ মূল কাৰণটো হ'ল যে আচলতে আমি ঈশ্বৰক ভয়হে কৰো, ভাল নাপাওঁ। আমি ঈশ্বৰক ঘোচ খুৱাই পকেটত ভৰাই ৰাখিব বিচাৰো।সেইবাবেই দুৰ্নীতিৰে কোটি কোটি টকা ঘটা বিয়াগোম নেতা আৰু উচ্চ পদৰ বিষয়া সকলে লাখ টকাত ম'হ কিনি পূজাত বলি দিয়ে।তেওঁলোকে ঈশ্বৰকো নিজৰ দৰে লুভীয়া, ঘোচখোৰ বুলি ভাবে আৰু কামনা কৰে যে তজবজীয়া ম'হৰ কেঁচা তেজৰ লোভত ঈশ্বৰে তেওঁলোকৰ সমস্ত কুকীৰ্তি পাহৰি যাব!ঈশ্বৰক ভাল পোৱা হ'লে তেওঁলোকৰ ঈশ্বৰ সম্পৰ্কে ইমান নীচ ধাৰণা মুঠেও নাথাকিলেহেঁতেন।প্ৰিয় ঈশ্বৰে আঘাত পাব পৰা কোনো কামেই তেওঁলোকে নকৰিলেহেঁতেনে। একেই ঈশ্বৰৰ সন্তান ম'হ এটাক নিষ্ঠুৰতাৰে বধ কৰি তেওঁলোকে ঈশ্বৰক সন্তুষ্ট কৰাৰ দৰে নীচ চিন্তা নকৰিলেহেঁতেন, ঈশ্বৰক ভালপোৱাহেঁতেন তেওঁলোকে দুৰ্নীতিয়েই নকৰিলেহেঁতেন। ঈশ্বৰক ভয় কৰে বাবেহে তেওঁলোকৰ বাবে এইবোৰ কৰাটো সম্ভৱ। আৰু সেইবাবেই আমি অন্ধবিশ্বাসী।আমি পৰম্পৰাক বিশ্বাসৰ উৰ্দ্ধলৈ লৈ গৈ বিকৃত কৰি পেলাও।অতি ভক্তি চোৰৰ লক্ষণ।অন্ধবিশ্বাসৰ কৰ্ষণেৰে আমি চলাই থকা অতি ভক্তিৰ কাৰবাৰবোৰ ঈশ্বৰে (যদিহে আছে) নোচোৱাকৈ নিশ্চয় থকা নাই।

কিছুদিনৰ বাবে আমি ডাইনী হত্যা সম্পৰ্কীয় এক গৱেষণা প্ৰকল্পৰ সৈতে জড়িত আছিলো।নামনি,উজনিৰ ভিতৰুৱা বহু গাঁওলৈ গৈ আমি ডাইনী নামৰ অন্ধবিশ্বাসৰ বলি হোৱা ভুক্তভোগী মহিলাৰ সৈতে কথা পাতিছিলো।সেই গাঁওবোৰত ডাইনী বুলি ক'লেই মানুহবোৰে ভয় খায়।কোনেও ডাইনী নাই বুলি নকয়, তেওঁলোকৰ মতে ডাইনী আছেই।এনেকি ডাইনী সন্দেহত গাঁওৰ মানুহেই অকথ্য নিৰ্যাতন চলোৱা মহিলাগৰাকীয়েও এয়াহে কয় যে তেওঁহে ডাইনী নহয়,সেইবুলি ডাইনী নামৰ অপশক্তি এটা নোহোৱা নহয়!ডাইনী বুলি মানুহে চলোৱা জঘন্য নিৰ্যাতনত প্ৰাণ হেৰুৱা মহিলাৰ পৰিয়ালবোৰকো আমি সাক্ষাৎ কৰিছিলো।এঠাইলৈ গৈছিলো- - ডাইনী বুলি গাঁওবাসীয়ে পৰিয়ালটোৰ পতি-পত্নীক দাৰে ঘাপ মাৰি হত্যা কৰিছিল।মৰাশ দুটা গাঁওৰ মাজেৰে চোচোৰাই নি নদীৰ পাৰত পেলাই থৈ আহিছিল।আমাৰ সৈতে যোৱা আৰক্ষী বিষয়াজনে আমাক তেওঁৰ মোবাইলত ফোটোবোৰ দেখুৱাইছিল।সেইঘৰ মানুহৰ পৰিত্যক্ত ঘৰটোত তেতিয়াও চৰু কেইটামান চেদেলি ভেদেলি হৈ পৰি আছিল।এইবোৰ নেদেখিলে অন্ধবিশ্বাস কিমান ভয়ানক হ'ব পাৰে বুজিব নোৱাৰি।আমি কিমান পিছ পৰি আছো বুজিব নোৱাৰি।সেই ভিতৰুৱা ঠাইৰ অশিক্ষিত মানুহবোৰৰ সমানেই আমাৰ বহু শিক্ষিত মানুহো কিন্তু অন্ধবিশ্বাসী।সংস্কাৰ অভিযানেৰে, আইনৰ ভয়েৰে সেইবোৰ গাওঁত অন্ধবিশ্বাসী ক্ৰিয়া কৰ্ম দূৰ কৰিব পৰা যাব। কিন্তু এই শিক্ষিত মানুহবোৰ কাহানিও অন্ধবিশ্বাসৰ

কবলৰ পৰা মুকলি হ'ব নোৱাৰিব। শিক্ষায়েই যদি তেওঁলোকক অন্ধবিশ্বাসৰ পৰা মোকলাই আনিব নোৱাৰিলে, অইন কিহেনো পাৰিব?

শেষত এক বন্ধুৰ কথাৰেই লেখাটো সামৰিছো।যোৱাটো শীতৰ কোনো এটা দিনত গাওঁৰ পৰা এক বন্ধুৱে ৰাতিপুৱাতে বৰ দৌৰা দৌৰিকৈ ফোন কৰিলে।আগৰাতি তাক গাঁওৰ ৰাস্তাৰে আহি থাকোতে হেনো ভূতে পাইছিল। সি ৰাতি এক বন্ধুৰ ঘৰত  ভোজ খাই আহি আছিল।আহি থাকোতে তাক ডিঙিৰ পিছপিনে কিহবাই হেঁচা মাৰি ধৰিলে।প্ৰথমতে সি গুৰুত্ব দিয়া নাছিল।পিছত আকৌ কালভাৰ্ট এটাৰ ওপৰত ৰওঁতে তাক হেঁচা মাৰি ধৰি বগৰাই দিলে।সেইবাৰ তাৰ ভয় লাগিল।খৰখোজেৰে ঘৰৰ পিনেৰে বাট পোনাওতে আকৌ এবাৰ তাক গলধনত পিছৰ পৰা হেঁচা মাৰি ধৰি বগৰাই দিলে।এইবাৰ সি নিশ্চিত হ'ল যে তাক ভূতে ধৰিছে। সি ভয়তে তৰানৰা ছিগি দৌৰ দিলে।কিন্তু বেচেৰাই ভূতৰ ভয়ত ৰাস্তাৰে দৌৰিব এৰি পথাৰৰ মাজেৰেহে দৌৰিলে।প্ৰায় এক কিলোমিটাৰ মান দৌৰাৰ অন্তত: এঠাইত সি জোঁটপোট খাই পৰি গ'ল।তেনেতে তাক তাৰ এক বন্ধুৱে ফোন কৰিলে।কোনোমতে পথাৰত পৰি থকাৰ পৰাই সি সেই বন্ধুৰ ফোন উঠালে।ভূতৰ আখ্যান বিবৰি ক'লে।লগে লগে গাঁওৰ পৰা এজাক ল'ৰা আহি তাক 'ভূত'ৰ পৰা উদ্ধাৰ কৰিলে।ভয়তে সি অচেতন হ'ল।এই গোটেইখিনি কথ সি মোক বিবৰি ক'লে,লগতে এয়াও ক'লে যে পথাৰত পৰি থাকোতে তাৰ ডিঙিৰ মাফলাৰ খন ভৰিৰ পৰা ডিঙিলৈকে জোটপোট খাই ধৰি আছিল- - অৰ্থাৎ ভূতে তাক ডিঙিয়ে ভৰি বান্ধি টোপোলা যেন কৰি মাৰি পেলাব বিচাৰিছিল।বন্ধুৰ বাখ্যা শুনি ভীষণ হাঁহি উঠিল।ভুৰি ভোজন আৰু মদ্যপানৰ বদ অভ্যাস যে তাৰ আছে সেয়া জানো।সেয়ে তাক ক'লো যে ভূত খেদিবলৈ পূজা আয়োজন কৰাতকৈ তই আগেয়ে তোৰ ব্লাড প্ৰেছাৰটো পৰীক্ষা কৰি আহ! সি মোৰ কথা নেপেলাই।এঘণ্টা পিছতেই ফোন আহিল - - তাৰ ৰক্তচাপ অস্বাভাৱিক ভাৱে বেছি হৈ আছে! অনিয়মিত খাদ্যাভ্যাসৰ ফলত কম বয়সতেও এনে সমস্যা হ'ব পাৰে বুলি সাধাৰণ জ্ঞানৰ পৰা জানো।আমি ব্যক্তিগতভাৱে ভূত আৰু ভগৱান বিশ্বাস নকৰো। গতিকে গাওঁৰ পথেৰে ৰাতি আহি থাকোতে তাক ভূতে নহয় উচ্চ ৰক্তচাপেহে বগৰাইছিল বুলি বুজি লওঁতে আমাক ভূত আৰু ভগৱান একোৱেই বাধা নিদিয়ে।যি নহওক,বন্ধু ভূত ভীতিৰ পৰা ৰক্ষা পৰিল।কিন্তু অস্তিত্বহীন ভূতে তাক বাট এৰি পথাৰ পোৱালে।আমাৰ যুক্তিহীন অন্ধবিশ্বাসে আমাকো এইদৰেই বাট এৰি কিমান অবাটে নিছিল, নিছে আৰু নি থাকিব সেয়াহে ভাবিবলগীয়া।প্ৰশ্ন হয়- - এই এন্ধাৰ নাশি পোহৰ আনিব কোনে? আহক আমি মুকলিকৈ কথাবোৰ পাতো।প্ৰশ্ন কৰো প্ৰতিটো ৰক্ষণশীল প্ৰথাৰ বিৰুদ্ধে।পোহৰৰ বাবে বিপ্লৱ লাগে আৰু সকলো বিপ্লৱ বন্দুকেৰে নহয়- - - মনক জগাবলৈ, নিয়ম ভাঙিবলৈ বন্দুকৰ বিপ্লৱতকৈও অধিক সাহ লাগে।আহক আমি সেই জোখাৰে সাহসী হওঁ।







# বিজ্ঞান আৰু মানৱতাবোধ

ড° পৰশমণি দাস

গুহাত বাস কৰা আদিম মানুহৰ পৰা উচ্চ প্ৰযুক্তিৰ সমাজত বাস কৰা আধুনিক মানুহলৈকে মানৱ জাতিৰ জীৱন ধাৰণত যি অবিশ্বাস্য পৰিৱৰ্তন সাধিত হৈছে তাৰ গুৰিতে আছে বিজ্ঞানৰ অনবদ্য অৱদানবোৰ।অৱশ্যে বিজ্ঞানে মানুহক ভৌতিক স্বাচ্ছন্দ্য, সুচলতা আৰু সহজলভ্যতা প্ৰদান কৰিলেও বিজ্ঞানৰ অৱদানবোৰ মানৱ জাতিৰ বাবে বা বহল অৰ্থত সমগ্ৰ প্ৰাণীকুলৰ বাবে সকলো সময়তে মংগলময় হৈ উঠিছে বুলি ক'ব নোৱাৰি।আনহাতে বিভিন্ন কাৰণত বিজ্ঞানৰ সুফলবোৰ সমাজৰ সকলো শ্ৰেণীৰ লোকে সমানভাৱে ভোগ কৰাটোও সম্ভৱপৰ হৈ উঠা নাই। পৃথিৱীৰ জীৱকুলৰ বাবে এই কথাই কেতিয়াও সুভবিষ্যতৰ অথবা সামগ্ৰিক নিৰাপত্তাৰ ইংগিত বহন নকৰে। বিজ্ঞানৰ বাদ দি যিহেতু এই যুগত কোনো মানুহৰ বাবেই এক মুহূৰ্তও চলাটো সম্ভৱ নহয়, সেইবাবে বিজ্ঞানে মানুহৰ জীৱনলৈ প্ৰকৃত অৰ্থত "স্বাস্থ্যকৰ" পৰিৱৰ্তনৰ সূচনা কৰিছেনে নাই সেই কথা বিশ্লেষণ কৰি চোৱাৰ প্ৰয়োজন আছে।

পৰীক্ষা,পৰ্যবেক্ষণ,বিশ্লেষণ, অধ্যয়ন আৰু যুক্তিৰ দ্বাৰা সত্যক প্ৰতিষ্ঠা কৰিবলৈ বিচৰা জ্ঞানেই হৈছে বিজ্ঞান।লক্ষণীয় যে বিজ্ঞানে সত্য বুলি দাঙি ধৰা কথাটো চৰম সত্য নহ'বও পাৰে।আচলতে বিজ্ঞানে সত্যৰ সন্ধান কৰে।এই সন্ধানৰ বাটেৰে যাওঁতে আবিষ্কাৰ হৈ গৈ থাকে নতুন নতুন সত্যৰ।মানুহৰ পৰ্যবেক্ষণ ক্ষমতাৰ বাহিৰত বা অত্যাধুনিক যন্ত্ৰ-পাতিয়েও ঢুকি নোপোৱা অসংখ্য তথ্য আছে।এই তথ্যবোৰ আবিষ্কাৰ কৰিলে সত্য বুলি ভবা তত্ত্বটোৰো পৰিৱৰ্তন হ'ব পাৰে।তেনে অৰ্থতে ক'ব পাৰি যে বিজ্ঞানে সত্যৰ অনুধাৱনহে কৰে আৰু চৰম সত্য প্ৰাপ্তিৰ প্ৰক্ৰিয়াটো সকলোৰে বাবে মুকলি কৰি ৰাখে।বিজ্ঞান মানেই যুক্তি নিৰ্ভৰ এটি মুকলি মন।যিসকল ব্যক্তিৰ সত্য সন্ধানৰ বাসনা বা ক্ষমতা আছে তেওঁলোকেই হ'ল বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী লোক।অন্য অৰ্থত,চকুৰ সন্মুখত দেখা প্ৰতিটো কথাকে নতুন দৃষ্টিভংগীৰে চালি-জাৰি চাব পৰাকৈ যদি কাৰোবাৰ এটি যুক্তিবাদী মুকলি মন আছে তেন্তে তেওঁক বিজ্ঞান-মনস্কতাৰ অধিকাৰী লোক বুলি ক'ব পৰা যায়।

আধুনিক যুগৰ আৰম্ভণিৰ পৰা, অৰ্থাৎ ১৬-১৭ শতিকাৰ পৰা এতিয়ালৈকে বিজ্ঞানে মানৱ জীৱনলৈ এনে অভূতপূৰ্ব বৰঙণি আগবঢ়ালে আৰু সেই অৱদান আমাৰ জীৱনৰ কোঁহে-কোঁহে




বাট্ৰাণ্ড ৰাছেল অংকন: বেটী বেকাৰ

এনেভাৱে সোমাই পৰিল যে বিজ্ঞানৰ অৱদানক অস্বীকাৰ কৰি চলাটো এক মুহূৰ্তৰ বাবেও আমাৰ বাবে সম্ভৱ নোহোৱা হ'ল।এইক্ষেত্ৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল বিজ্ঞানৰ অৱদানবোৰ গ্ৰহণ কৰাৰ উপৰি সমাজৰ প্ৰতিজন লোক বৈজ্ঞানিক মনৰ অধিকাৰী হ'ব লাগিব।কৃষক এজনে শস্যত কীটনাশক দ্ৰব্য,ৰাসায়নিক সাৰ আদিৰ প্ৰয়োগ কৰে। তেওঁ কৃষি বিজ্ঞানীৰ উপদেশ মানি খেতি কৰাৰ লগতে নিজেও যদি বতৰৰ অৱস্থা, শস্যত সাৰৰ প্ৰয়োগ, পানীৰ ব্যৱহাৰ আদি সততে পৰ্যবেক্ষণ কৰে তেন্তে কৃষকজনে কৃষি-কাৰ্যত পূৰ্বতকৈ অধিক সফলতা লাভ কৰিব পাৰিব। সকলো মানুহৰে বৈজ্ঞানিক মন এটা থকাৰ সেইবাবে অতি প্ৰয়োজন। কু-সংস্কাৰপূৰ্ণ অবৈজ্ঞানিক মনে-দেশে আৰু সমাজৰ প্ৰগতিত অন্তৰায়ৰ সৃষ্টি কৰে, আনহাতে অধ্যয়নশীল বৈজ্ঞানিক মনে সমাজক প্ৰগতিশীল কৰি তোলে।পৃথিৱীৰ উন্নত জাতিবোৰৰ প্ৰধান চালিকাশক্তি হ'ল সেই সমাজৰ মানুহৰ মুকলি বৈজ্ঞানিক চিন্তন।

সমগ্ৰ মানৱ জাতিৰ সামূহিক কল্যাণৰ ভাবনা আৰু উপলব্ধিয়েই মানৱতাবোধ।বিজ্ঞানী এজনে গৱেষণাগাৰত নিজৰ সুখ-স্বাচ্ছন্দ্যক তুচ্ছ জ্ঞান কৰি নিত্য নতুন আবিষ্কাৰ অব্যাহত ৰাখে কেৱল মানুহৰ মঙ্গলৰ কথা চিন্তা কৰি, মানুহৰ প্ৰাত্যহিক জীৱন যাতে বেছি সহনশীল আৰু মুক্ত হয় সেই ভাবনা আগত ৰাখি। পৃথিৱীত এনে কোনো প্ৰখ্যাত বিজ্ঞানী নাই যিয়ে মানৱ জাতিৰ ধ্বংসৰ কামনাৰে অহোৰাত্ৰ নিজকে ব্যস্ত ৰাখিছে।পৃথিৱীৰ বিখ্যাত বিজ্ঞানীসকলে প্ৰকৃতাৰ্থত একোগৰাকী মানৱতাবাদী পুৰুষ। দুটামান উদাহৰণ দিলেই যথেষ্ট হ'ব।বিজুলী শক্তিৰ ধনাত্মক আৰু ঋণাত্মক দুটা ধৰ্ম থকাৰ কথা আবিষ্কাৰ কৰা তথা বাইফ'কেল চশমাৰ প্ৰথম উদ্ভাৱক আমেৰিকাৰ প্ৰখ্যাত বিজ্ঞানী বেঞ্জামিন ফ্ৰেংকলিন আছিল একাধাৰে ৰাষ্ট্ৰনায়ক, সাংবাদিক, উদাৰনৈতিক দাৰ্শনিক আৰু লেখক।এইবাৰ গোটেইবোৰ বিষয়তে তেওঁ অসামান্য প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। আটাইতকৈ ডাঙৰ কথা তেওঁ আছিল এগৰাকী মানৱতাবাদী ব্যক্তি।সোতৰ বছৰ বয়সতে সাংবাদিকতা কৰা ফ্ৰেংকলিনে পৰিণত বয়সত Poor Richard's Almanac নামৰ এখন আলোচনী প্ৰকাশ কৰি ইয়াৰ দ্বাৰা প্ৰধানকৈ নীতি কথা প্ৰচাৰ কৰিছিল।সমালোচকসকলৰ মতে এই আলোচনীখনে আমেৰিকাবাসীৰ চৰিত্ৰ গঠনত বিশেষ ভূমিকা লৈছিল।পাৰস্পৰিক সহযোগিতাৰ দ্বাৰা মানুহে যাতে নিজৰো উন্নতি সাধন কৰিব পাৰে, সেই উদ্দেশ্যে তেওঁ "জুণ্টো ক্লাব" নামে এটি সংঘ প্ৰতিষ্ঠা কৰিছিল।আমেৰিকাত প্ৰথম চলন্ত পুথিভঁৰালৰ প্ৰচলন কৰিছিল বেঞ্জামিন ফ্ৰেংকলিনে।তেওঁ এখন স্কুলো স্থাপন কৰিছিল, যিখন স্কুল পাছত

পেনছিলভেনিয়া বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হৈছিল।জীৱনৰ শেষ মুহূৰ্তলৈকে জনহিতকৰ কামত আত্মনিয়োগ কৰা ফ্ৰেংকলিনে আনকি মৃত্যু শয্যাৰ পৰাও দাসত্ব বিৰোধী আন্দোলনৰ নেতৃত্ব দিছিল। ঠিক সেইদৰে বাৰ্ট্ৰাণ্ড ৰাছেলৰ প্ৰসংগও এই ক্ষেত্ৰত উত্থাপন কৰিব পাৰি। কুৰি শতিকাৰ শ্ৰেষ্ঠ দাৰ্শনিকসকলৰ অন্যতম ইংলেণ্ডৰ বাৰ্ট্ৰাণ্ড ৰাছেল আছিল এগৰাকী দুৰ্দ্ধৰ্ষ গণিতজ্ঞ। গণিতৰ বিষয়ে কৰা ৰাছেলৰ গৱেষণাই বিজ্ঞানৰ জগতত নতুন মাত্ৰা প্ৰদান কৰিছে। সুদীৰ্ঘ ৯৮ বছৰ জীয়াই থকা ৰাছেলে গোটেই জীৱন অতিবাহিত কৰিছিল মানৱ কল্যাণৰ হকে।প্ৰথম বিশ্বযুদ্ধ আৰম্ভ কৰি ইংলেণ্ডে যে বেয়া কাম কৰিছে এই বিষয়ে তেওঁ নিজৰ দেশতে জোৰদাৰ প্ৰচাৰ চলাইছিল; যাৰ বাবে তেওঁক ইংলেণ্ড চৰকাৰে এশ পাউণ্ড জৰিমনা বিহাৰ উপৰি ট্ৰিনিটি কলেজৰ প্ৰবক্তাৰ পৰাও খেদি দিয়ে।জৰিমনা আদায় নিদিয়াত চৰকাৰে বাজেয়াপ্ত কৰে তেওঁৰ বৃহৎ লাইব্ৰেৰী।পাছত পাৰমাণবিক যুদ্ধৰ বিৰুদ্ধেও গোটেই বিশ্বতে তেওঁ সৰৱ হৈ উঠে।আনকি ৯৪ বছৰ বয়সতো শীতৰ হাড় কঁপোৱা জাৰক নেওচি ইংলেণ্ডৰ ৰাজপথত বাৰ্ট্ৰাণ্ড ৰাছেলে মানৱতাবাদী আন্দোলনৰ নেতৃত্ব দি বক্তৃতা প্ৰদান কৰিছিল।তেওঁৰ বিশাল সাহিত্য ভাণ্ডাৰৰ মূল বিষয়বস্তু আছিল বিভিন্ন দিশত মানুহৰ উৎকৰ্ষ সাধন,মানুহৰ কল্যাণ।সেইবাবে ১৯৫০ চনত সাহিত্যত নবেল বঁটা প্ৰদানকাৰী ছুইডিছ একাডেমীয়ে তেওঁক বঁটা প্ৰদানৰ কাৰণ হিচাপে কৈছিল: In recognition of his varied and significant writings, in which he champions humanitarian ideals and freedom of thought(মানৱীয় প্ৰমূল্য আৰু মুক্ত চিন্তাৰ সমৰ্থনত লিখা তেওঁৰ অনবদ্য আৰু তাৎপৰ্যপূৰ্ণ লেখাৰ স্বীকৃতি হিচাপে তেওঁক নবেল বঁটা প্ৰদান কৰা হৈছে)। একেদৰে, আপেক্ষিকতাবাদ আৰু ফ'ট'ইলেকট্ৰিক এফেক্টৰ বাবে বিশ্ববিখ্যাত আইনষ্টাইন আছিল প্ৰকৃতাৰ্থত এজন মানৱতাবাদী পুৰুষ।বিশ্বৰ বিভিন্ন সন্মিলন, বিজ্ঞানৰ চেমিনাৰ আৰু অন্যান্য সভা-সমিতিত তেওঁ বহুমূলীয়া বক্তৃতা প্ৰদান কৰিছিল; যিবোৰৰ অন্যতম প্ৰধান বিষয়বস্তু আছিল মানুহৰ সামূহিক মংগল।আইনষ্টাইনে "Ideas and opinion" নামৰ পুথিখনত তেওঁৰ নিৰ্বাচিত বক্তৃতা আৰু লেখা প্ৰকাশ কৰা হৈছে।




বিজ্ঞানীসকলে মানৱ জাতিৰ বিনাশৰ কামনাৰে কেতিয়াও কোনো ধৰণৰ তত্ত্ব বা আহিলা প্ৰস্তুত নকৰিলেও এই কথা সঁচা যে পৃথিৱীৰ ইখন দেশে সিখন দেশৰ লগত অথবা ইটো জাতিয়ে সিটো জাতিৰ লগত সংঘাতত লিপ্ত হৈছে কেৱল বিজ্ঞানে প্ৰদান কৰা সঁজুলি ব্যৱহাৰ কৰি, য'ত বাৰে বাৰে ভূলুণ্ঠিত হৈছে মানৱতাবাদ।এতিয়া পৰমাণু বোমাৰ দৰে বিধ্বংসী অস্ত্ৰ ব্যৱহাৰ কৰিবলৈও মানুহৰ হাত নকঁপা হ'ল।আকৌ,পৃথিৱীৰ বেছিভাগ দেশতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সুফলখিনি সমাজৰ তৃণমূল




পৰ্যায়ৰ লোকসকলে ভোগ কৰাৰ পৰা বঞ্চিত হৈছে; বৰং ধনিক বনিক শ্ৰেণীহে বিজ্ঞানক নিজৰ স্বাৰ্থ পূৰণৰ আহিলা ৰূপে ব্যৱহাৰ কৰিবলৈ ধৰিছে।কোৱা বাহুল্য যে এনে বৈষম্যৰ মূল কাৰণ হ'ল আমাৰ শ্ৰেণীবিভক্ত সমাজখন।শ্ৰেণীবিভক্ত সমাজত সম্পদৰ সুষম উপভোগ কেতিয়াও সম্ভৱ নহয়।উদাহৰণস্বৰূপে, ভাৰতবৰ্ষৰ নিচিনা বহুতো দেশত লাখ লাখ দৰিদ্ৰ শ্ৰমিকে বিজ্ঞানৰ সা-সঁজুলি ব্যৱহাৰ নকৰাকৈ হাড়ভগা পৰিশ্ৰম কৰিব লগা হয়,গ্ৰামাঞ্চলৰ হাজাৰ হাজাৰ কৃষকে কৃষি কাৰ্য সম্পাদন কৰে আধুনিক কৃষি বিজ্ঞানৰ যন্ত্ৰ-পাতি নেদেখাকৈয়ে; অথচ লাভাংশৰ সিংহভাগ কুক্ষিগত কৰে মালিক পক্ষই অথবা মধ্যভোগীয়ে। আন এক তথ্যমতে, আধুনিক চিকিৎসা পদ্ধতিৰে সহজতে নিয়ন্ত্ৰণ কৰিব পৰা পেটৰ অসুখতে ভাৰতত গড় হিচাপত মৃত্যু হয় ৪ হাজাৰ শিশুৰ।সেইদৰে ভাৰতত নবজাত শিশুৰ শতকৰা ৩১ টাৰ মৃত্যু হয় ধনুষ্টংকাৰ ৰোগত।এইসকল শিশুৱে হয় বিনা চিকিৎসাত নতুবা পলমকৈ লাভ কৰা চিকিৎসাৰ বাবে মৃত্যুমুখত পৰে।মানৱতাবাদ পদদলিত হোৱাৰ উৎকৃষ্ট উদাহৰণ ইয়াতকৈ আৰু কি আছে? এনেবোৰ ঘটনাই আওপকীয়াকৈ বিজ্ঞানৰ অমূল্য অৱদানবোৰকে কলংকিত আৰু ইতিকিং কৰিছে। নকলেও হয় যে এচাম স্বাৰ্থপৰ , অবিবেচক আৰু ক্ষমতালোভী ব্যক্তিৰ অভিসন্ধিতহে বিজ্ঞানৰ সৃষ্টিবোৰৰ অপব্যৱহাৰ আৰু বিষম প্ৰয়োগ হৈ আহিছে । ইয়ে সমাজৰ প্ৰগতিৰ ধাৰাক পোনপটীয়াকৈ বাধাগ্ৰস্ত কৰিছে । মনত ৰখাৰ দৰকাৰ যে দেশ এখনৰ শাসক শ্ৰেণীয়ে বিজ্ঞানক কিভাবে ব্যৱহাৰ কৰে তাৰ ওপৰতে নিৰ্ভৰ কৰে সমাজ এখনৰ প্ৰগতিৰ ধাৰা।আধুনিক বিজ্ঞানৰ এনে বহুতো অৱদানৰ বিষয়ে উল্লেখ কৰিব পাৰি যিবোৰৰ প্ৰয়োগৰ ক্ষেত্ৰত প্ৰধান ভূমিকা লয় একোখন ৰাষ্ট্ৰৰ কূটনীতিবিদ,বিজ্ঞানী অথবা বুদ্ধিজীৱী মহলে।যেনে : আনৱিক অস্ত্ৰৰ প্ৰয়োগ,ক্লনিং পদ্ধতিৰ ব্যৱহাৰ ইত্যাদি। এইবোৰত সাধাৰণ ৰাইজৰ পোনপটীয়া হাত নাই। কিন্তু আমাৰ দৈনন্দিন জীৱনত আমি যিবোৰ বিজ্ঞানৰ আহিলা ব্যৱহাৰ কৰি আছোঁ, সেইবোৰৰ সঠিক ব্যৱহাৰ হৈছে নে নাই সেই কথা সকলোৱে বিশ্লেষণ কৰি চাব লাগে। মনোৰঞ্জনৰ বাবে মই বজোৱা ডেক বা টি. ভি. ৰ শব্দই অইন মানুহৰ লগতে ওচৰ -চুবুৰীয়াক আমনি কৰিছে নেকি? বিপদৰ বন্ধু মোবাইল ফোনটোৰে মই অনাহকত কাৰোবাক " ভুৱা কল" দি আমনি কৰিছোঁ নেকি?মোৰ ঔষধৰ দোকানত ৰোগীৰ বাবে অনা কাহৰ ঔষধ নিচাধাৰী যুৱকক মনে মনে বিক্ৰী কৰিছোঁ নেকি?এই গোটেইবোৰ কাৰ্যতে মানৱতাৰ প্ৰশ্ন জড়িত হয় আছে।ইংৰাজীত এষাৰ কথা আছে : "Science gives knowledge and power but not necessarily wisdom." অৰ্থাৎ 'বিজ্ঞানে জ্ঞান



আৰু শক্তিহে দিয়ে,কিন্তু প্ৰজ্ঞা দিব নোৱাৰে,জ্ঞান আৰু প্ৰজ্ঞাৰ পাৰ্থক্য বুজিবলৈ এটা সাধাৰণ উদাহৰণ ল'ব উৰি।পৰমাণু বোমা তৈয়াৰ কৰিবলৈ আমাক জ্ঞান লাগে,কিন্তু পৰমাণুৰ অন্তৰ্নিহিত শক্তিক কিদৰে ধ্বংসৰ পৰিবৰ্তে প্ৰকৃতি আৰু মানুহৰ কল্যাণৰ কামতব্যৱহাৰ কৰিব পাৰি সেই কথা জানিবলৈ দিব প্ৰজ্ঞাই।আন কথাত ক'বলৈ গ'লে পৰমাণু বোমা নিৰ্মাণ কৰাৰ তত্ত্ব আৰু তথ্য আমাক বিজ্ঞানে দিব,কিন্তু এই তত্ত্বৰ সু-প্ৰয়োগ বা কু-প্ৰয়োগৰ বিষয় বিজ্ঞানে একো ক'ব নোৱাৰে।তাৰ বাবে প্ৰজ্ঞাৰ প্ৰয়োজন।প্ৰজ্ঞাৰ লগত মানুহৰ নৈতিক শক্তিৰ সম্বন্ধ আছে।প্ৰজ্ঞাৰ লগত সাঙুৰ খাই আছে মানুহৰ কল্যাণ বা মানৱতাবোধ।বাহিৰৰ প্ৰকৃতিৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ আমাক জ্ঞানৰ প্ৰয়োজন;কিন্তু মানুহৰ ভিতৰৰ প্ৰকৃতিক,অৰ্থাৎ মনটোক জয় কৰিবলৈ প্ৰয়োজন প্ৰজ্ঞাৰ।উপভোগৰ উপাদানবোৰ জ্ঞানৰ সহায়ত আহৰণ কৰিব পাৰি,কিন্তু প্ৰজ্ঞাৰ অবিহনে সুখ আৰু শান্তি অনুভৱ কৰা অসম্ভৱ।বিজ্ঞানে মানুহক প্ৰজ্ঞা দিব নোৱাৰিলেও মানুহৰ জীৱনক মহত্ত্ব প্ৰদান কৰিবলৈ হ'লে অথবা জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ হ'লে জীৱনৰ প্ৰতিটো স্তৰতে সুনিশ্চিতভাৱে আৰু সুপৰিকল্পিতভাৱে বিজ্ঞানৰ প্ৰয়োগ কৰিব লাগিব।সুচিন্তা আৰু সুপৰিকল্পনাৰ অৰ্থ সেয়ে যে বিজ্ঞানৰ প্ৰয়োগৰ লগত মানৱীয় প্ৰমূল্য বা মানৱতাবোধ যোগ হোৱাটো প্ৰয়োজন,অৰ্থাৎ জ্ঞান আৰু প্ৰজ্ঞাৰ সুসমন্বয় সাধিত হব লাগিব।যিবোৰ দিশত মানৱতাৰ অবিহনে বিজ্ঞানে গতি কৰিছে সেই দিশতে উপলব্ধ হৈছে বিজ্ঞানৰ বিষময় ফল।সমাজ এখনৰ শান্তি সমৃদ্ধি অশান্তি-শ্ৰীহীনতা নিৰ্ভৰ কৰে ব্যক্তিৰ ভাল আৰু বেয়া কৰ্মৰ ওপৰত ।অন্য অৰ্থত এখন সমাজৰ সদস্য হিচাপে এজনে কৰা কু-কৰ্মৰ ফল আনজনেও ভোগ কৰে।এখন সুখী আৰু ঐশ্চৰ্যশালী সমাজ,ৰাষ্ট্ৰ তথা পৃথিৱীৰ বাসিন্দা হবলৈ হলে ইয়াৰ প্ৰতিগৰাকী ব্যক্তিকে বিজ্ঞান মনস্কতাৰ অধিকাৰী হিচাপে গঢ়ি তুলিব লাগিব ; অৰ্থাৎ আমাৰ মন হ'ব লাগিব যুক্তিবাদী আৰু মুকলি, লগতে মানৱতাবোধকো আমাৰ চিৰদিনীয়া লগৰী কৰিব লাগিব।আমাৰ প্ৰতিটো কাৰ্যই মানুহ আৰু প্ৰকৃতিৰ কল্যাণ সাধিব লাগিব।কু-সংস্কাৰ ত্যাগ কৰি মানুহৰ কল্যাণৰ হকে আমি যদি আমাৰ দৈনন্দিন জীৱনৰ কোঁহে কোঁহে বিজ্ঞানৰ প্ৰয়োগ কৰোঁ,তেন্তে এখন উন্নত, সুখী, ভয়হীন আৰু শান্তিপূৰ্ণ সমাজত বাস কৰিবলৈ বেছি দিন বাট চাব নালাগিব...।

গ্ৰন্থ আলোচনা




# দেৱকান্ত সন্দিকৈৰ 'জীৱনটো আমি মাথোঁ এবাৰেই পাওঁ'

ভাস্কৰ ভূঞা

একবিংশ শতিকাৰ অসমীয়া সাহিত্যত যিকেইজন মুষ্টিমেয় সাহিত্যিক, লেখকে যুক্তিনিষ্ঠ আৰু বিজ্ঞানসন্মতভাৱে সমাজ-সভ্যতাৰ গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে যথাযথ আৰু নিৰপেক্ষ বিশ্লেষণ কৰি সমাজখনক অন্ধতাৰ পৰা ইতিবাচক দিশে ধাৱমান কৰাৰ চেষ্টা কৰি আহিছে; তেওঁলোকৰ ভিতৰত এজন উল্লেখযোগ্য গদ্যলেখক হৈছে দেৱকান্ত সন্দিকৈ। সমান্তৰালভাৱে দেৱকান্ত সন্দিকৈৰ একক আৰু পৃথক পৰিচয় হৈছে– ধৰ্ম, অন্ধবিশ্বাস, পৰম্পৰা, গোড়ামী আদিৰ বিৰুদ্ধেতেওঁৰ কলম অতি তীক্ষ্ণ, তেওঁ যি আদৰ্শ আৰু দৃষ্টিভঙ্গীৰে সাহিত্য সৃষ্টি কৰিছে; সেয়া অসমীয়া সাহিত্যত তেওঁৰ নিজস্ব স্বকীয়তা। সন্দিকৈয়ে তীক্ষ্ণ ভাষাৰে আৰু বিজ্ঞানসন্মতভাৱে ধৰ্ম আৰু ধৰ্মৰ সৈতে সাঙোৰ খাই থকা পৰম্পৰা, গোড়ামী, অন্ধবিশ্বাস আদিৰ বিপক্ষে মাত মাতি সমাজখনত বৈজ্ঞানিক মানসিকতা গঠনৰ বাবেই অৰ্হনিশে কাম কৰি আহিছে।

অৱশ্যে প্ৰথমেই উল্লেখ কৰি লোৱা ভাল হ'ব, সচৰাচৰ গোড়া পৰম্পৰাত আচন্ন, ধৰ্মভীৰু লোকৰ বাবে দেৱকান্ত সন্দিকৈৰ লেখা বুজি পোৱাটো বা বুজি মানি লোৱাতো সহজতে সম্ভৱ নহয়। নতুন দৃষ্টিভংগী আৰু প্ৰগতিশীল চিন্তা-চৰ্চাক আকোৱালি ল'ব নোখোজা লোকৰ বাবে সন্দিকৈৰ লেখা পঢ়াৰ সুখকৰ অভিজ্ঞতা নহয় বুলিয়েই ক'ব পাৰি। কাকত, আলোচনীত নিয়মীয়াকৈ প্ৰবন্ধ লিখাৰ সমান্তৰালভাৱে সন্দিকৈয়ে বৰ্তমানলৈকে দহখনতকৈয়ো অধিক প্ৰবন্ধ সংকলন প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰে প্ৰতিখন সংকলনতে সন্দিকৈৰ কলমৰ ধাৰ অতি চোকা। সমাজৰ প্ৰতিটো দিশেই তেওঁৰ পৰ্যালোচনাত নতুনত্ব লাভ কৰিছে। আলোচিত প্ৰতিটো বিষয়েই পঢ়ুৱৈৰ মন-মননত নতুন চিন্তা-চেতনাৰ সম্ভেদ দিব পাৰে।

দেৱকান্ত সন্দিকৈৰ ২০১২ চনত প্ৰকাশ হোৱা তেনে এখন গুৰুত্বপূৰ্ণ প্ৰবন্ধ সংকলন হ'ল– 'জীৱনটো আমি মাথোঁ এবাৰেই পাওঁ'। প্ৰদত্ত গ্ৰন্থখনত সন্দিকৈয়ে মুঠ ৬৪ টা ৰচনা লিখিছে। ইয়াৰে প্ৰতিটো ৰচনাতে সন্দিকৈয়ে সমাজ-সভ্যতা, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, পৰম্পৰা, গোড়ামীৰ পৰা আৰম্ভ কৰি স্বাস্থ্য, শিক্ষা, ব্যৱসায়-বাণিজ্যলৈকে সমসাময়িক প্ৰায় প্ৰতিটো দিশতে নিজৰ

অধ্যয়ন, অভিজ্ঞতা আৰু ইতিবাচক চিন্তা-চেতনাৰে নতুন নতুন বিষয়ৰ পৰ্যালোচনা কৰিছে। বিষয় এটাৰ উপস্থাপন শৈলীৰ নতুনত্ব, উদাহৰণৰ যথাৰ্থতা, বৰ্ণনাশৈলীৰ সৰলতা আৰু চিন্তাৰ খোৰাক সৃষ্টিত

দেৱকান্ত সন্দিকৈৰ প্ৰতিখন গ্ৰন্থই অনুপম। তেওঁৰ জীৱন সম্পৰ্কীয় দৃষ্টিভংগী আৰু মূল্যবোধৰ শিক্ষাও আমাৰ সমসাময়িক সমাজখনৰ বাবে অতি প্ৰয়োজনীয়। তেওঁ যিধৰণে কথাবোৰ ক'ব খোজে, সমাজখন চলাতো বিচাৰে, বৈজ্ঞানিক মানসিকতাৰে পুষ্ট প্ৰতিজন মানুহৰ বাবেই সেয়া ইতিবাচক বিষয়। অন্ধ পৰম্পৰা আৰু গোড়া নিয়ম ভাঙি নতুনকৈ আৰু নিজাকৈ কাম কৰিব খোজা যুৱ প্ৰজন্মৰ বাবে আৰু প্ৰগতিশীল মন-মননেৰে নিজকে সমৃদ্ধ কৰাৰ লগতে সমাজ শুদ্ধীকৰণত অংশ ল'ব খোজাসকলৰ বাবে দেৱকান্ত সন্দিকৈৰ কিতাপবোৰ পথ পদৰ্শকৰ দৰে । তেওঁৰ চিন্তা-চেতনাৰে সমৃদ্ধ হৈ এখন 'মানৱতাৰ পৃথিৱী' গঠনত সকলোৱে আগভাগ ল'ব পাৰে।

গ্ৰন্থখনত মুঠ তিনিটা খণ্ড আছে। ইয়াৰে প্ৰথম খণ্ডত আছে– অন্ধবিশ্বাস, ধৰ্ম আৰু আধ্যাত্মিকতা সমন্ধে। উল্লেখ্য যে সন্দিকৈ মানুহজন নিৰিশ্বৰবাদী। তেওঁৰ ৰচনাত সেয়েহে ঈশ্বৰ সম্বন্ধে ইতিবাচক দিশৰ আলোচনা পোৱা নাযায়। ঈশ্বৰ বিশ্বাসে যে মানুহক মানৱতাবাদৰ জ্ঞান নিদিয়ে, সেই সম্পৰ্কে সন্দিকৈ নিশ্চিত। গতিকে তেওঁ ঈশ্বৰৰ ধাৰণা নিঃশেষ কৰি তাৰ ঠাইত মানৱতাবাদক প্ৰতিষ্ঠা কৰিব বিচাৰে। তেওঁৰ স্পষ্ট কথা– 'ধৰ্ম মানৱতাৰ শত্ৰু'। নামঘৰ, মন্দিৰবোৰকো সেয়েহে তেওঁ অন্ধবিশ্বাস, কু-সংস্কাৰৰ ভঁৰাল বুলি অভিহিত কৰিছে। এইদৰে অভিহিত কৰাৰ অন্তৰালত তেওঁ যিবোৰ যুক্তিৰ প্ৰয়োগ ঘটাইছে, সেয়া খণ্ডন কৰাটো কিন্তু কঠিন।

'আধ্যাত্মিকতাবাদৰ ব্যৱহাৰিক অৰ্থ কি?' ৰচনাত লিখকে আধ্যাত্মিকতা আৰু ব্যৱহাৰিক জ্ঞানৰ মাজত থকা পাৰ্থক্য সম্পৰ্কে বিশ্লেষণ কৰিছে। সেইদৰে আধ্যাত্মিকতাই যে মানুহক সৎ আৰু মানৱতাবাদী হ'বলৈ নিশিকায় বা শিকাব নোৱাৰে, সেই সম্পৰ্কেও তেওঁ যুক্তিনিষ্ঠ বিশ্লেষণ আগবঢ়াইছে। ধৰ্মৰ বিৰুদ্ধাচৰণ কৰিব লাগে বাবেই সন্দিকৈয়ে ধৰ্মৰ নেতিবাচক কথা কোৱা নাই. বৰঞ্চ তেওঁ বাস্তৱ সমাজখনৰ উদাহৰণ আৰু ধৰ্মৰ প্ৰকৃত কদৰ্য স্বৰূপ উদ্ঘাটন কৰি সেই উদ্ঘাটনৰ দ্বাৰা মানুহৰ মন-মননক নৈতিকতাৰ শিক্ষা আৰু মানৱতাৰ শিক্ষা দিবলৈ চেষ্টা কৰিছে। ধৰ্ম যে সত্যৰ সৈতে মুখামুখি হ'ব নোখোজা আৰু সুবিধাবাদী মানুহৰ একো একোখন উৰণি, সেই কথা সন্দিকৈয়ে স্পষ্টকৈ উল্লেখ কৰিছে।

'ব্ৰাহ্মণ্যবাদৰ পৰা মুক্তি পোৱাৰ বাস্তৱিক উপায়' শীৰ্ষক ৰচনাত লেখকে ব্ৰাহ্মণ্যবাদ চিন্তা-চেতনাৰ অন্তৰালত লুকাই থকা জাতিবাদ প্ৰথাৰ কদৰ্য দিশ আৰু ধনৱন্ত শ্ৰেণীৰ কপট, ভণ্ডামিৰ বিষয়ে লিখা হৈছে। নগেন শইকীয়া আৰু মূয়ৰ বৰাৰ প্ৰসংগ আনি লেখকে উদাহৰণৰ সৈতে দেখুৱাই দিছে যে সমাজত ব্ৰাহ্মণ্যবাদৰ সিপাদাল গভীৰলৈ শিপাই আছে। সেইদৰে লেখকে ৰচনাটোৰ শেষৰফালে এই আশাও কৰিছে যে 'অসমীয়া মানুহেই প্ৰথম ধৰ্মক বাদ দি মানৱতা, বিজ্ঞান আৰু যুক্তিৰ দ্বাৰাই পৰিচালিত হোৱা সমাজ এখন গঢ়ি তোলক।'

'নাই ক'তো ঈশ্বৰৰ অস্তিত্ব আছে মাথোঁ প্ৰকৃতি' শীৰ্ষক লেখাত জীৱজগতৰ কাৰ্য-কাৰণৰ প্ৰতিটো বিষয়ৰ অন্তৰালৰ মূল শক্তি যে ঈশ্বৰ নহয়, বৰঞ্চ প্ৰকৃতিহে, সেই কথা লেখকে যুক্তিনিষ্ট আৰু বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰি দেখুৱাইছে। প্ৰদত্ত ৰচনাতে তেওঁ ঈশ্বৰ নথকাৰ কেইবাটাও প্ৰমাণ আৰু তথ্য ডাঙি ধৰিছে। 'ঈশ্বৰ' কেৱল একাংশ ঠগ, প্ৰবঞ্চকৰ জীৱিকাৰ মূলধন আৰু ধৰ্ম হৈছে এক ব্যৱসায়। 'ধৰ্ম আৰু চিটফাণ্ড' শীৰ্ষক ৰচনাত মাজুলীৰ এখন সত্ৰৰ সত্ৰাধিকাৰৰ মনত ঈশ্বৰহীনতাৰ ধাৰণাটো উদয় হোৱাৰ কথা তেওঁ সবিস্তাৰে উল্লেখ কৰিছে। লগতে তেওঁ এই কথাও উল্লেখ কৰিছে যে– 'এজন ধৰ্মগুৰুৰ হৃদয়ত ধৰ্মৰ অসাৰতা তথা ঈশ্বৰৰ অস্তীত্বহীনতাৰ উপলব্ধি জাগি উঠাটো এখন ধৰ্মহীন ঈশ্বৰহীন মানৱতাপূৰ্ণ সমাজৰ কল্পনা কৰাসকলৰ বাবে বৰ উৎসাহজনক কথা।'

ইয়াৰোপৰি প্ৰথম খণ্ডটোৰ বাকীকেইটা ৰচনাত লেখকে ধৰ্ম বিষয়ক বিভিন্ন দৃষ্টিকোণ আৰু পৰ্যালোচনাৰে ইয়াৰ অন্তসাৰসূণ্যতা প্ৰমাণ

কৰিছে। ধৰ্ম ঈশ্বৰক বিশ্বাস কৰি ভাগ্যৰ ওপৰত বহি থকাতকৈ নিজৰ কৰ্মৰ ওপৰত নিৰ্ভৰশীল হ'বলৈহে সন্দিকৈয়ে আহ্বান জনাইছে। লগতে তেওঁ উল্লেখ কৰিছে যে ঈশ্বৰবিশ্বাসে আত্মবিশ্বাস নবঢ়াই, বৰঞ্চ ধৰ্মান্ধতাৰ সৃষ্টি কৰি গোড়া ৰীতি-নীতিৰহে সৃষ্টি কৰে।

গ্ৰন্থখনৰ দ্বিতীয় খণ্ডটোৰ নামকৰণ কৰিছে– 'সানমিহলি চিন্তা' নামেৰে। এই খণ্ডটোত লেখকে জীৱনৰ বিভিন্ন মুহূৰ্তৰ স্মৰণীয় ঘটনা, সমাজ জীৱনৰ গুৰুত্বপূৰ্ণ বিষয়, সমসাময়িক ৰাজনৈতিক, অৰ্থনৈতিক পৰিস্থিতি আদিৰ বিষয়ে লিখিছে। এই খণ্ডৰ প্ৰতিটো ৰচনাতে লুকাই আছে সন্দিকৈৰ দেশ, ৰাজ্যখনৰ প্ৰতি থকা প্ৰেম, আন্তৰিকতা আৰু দায়বদ্ধতা । তেওঁ নিজৰ লেখাৰ মাজেৰে এটা মসৃন আৰু বিজ্ঞানসন্মত পথৰ শুভাৰম্ভ কৰিছে, যি বাটেৰে সমাজখন বাট বুলিলে সকলোৰেই মঙ্গল হ'ব বুলি তেওঁ ভাবে। আৰু আমিও এই চিন্তাৰ সৈতে সহমত পোষণ কৰোঁ যে হয়, ধৰ্মতকৈ সমাজত মানৱতাবাদৰ হে প্ৰয়োজন।

সন্দিকৈৰ এই খণ্ডটোত ৰাজনৈতিক চিন্তা-চেতনাৰ পূৰ্ণ প্ৰতিফলন দেখা যায়। তেওঁ জাতি-জনজাতিবোৰৰ স্বাভিমান, অধিকাৰক লৈয়ো চিন্তিত। সেইদৰে তেওঁ চৰকাৰৰ কৰ্মৰাজিৰ ইতিবাচক, নেতিবাচক মূল্যায়নো গ্ৰন্থখনত স্পষ্টকৈ কৰিছে। জনসাধাৰণৰ চৰিত্ৰ আৰু কাম-কাজৰ বিষয়েও তেওঁৰ সমালোচনাৰ ধাৰ অতি তীক্ষ্ণ। তেওঁ 'সাধাৰণ' আৰু 'বিশেষ' শীৰ্ষক ৰচনাত কৈছে যে– 'আইন নথকাটো আমাৰ সমস্যা নহয়, আইন পালন নকৰাটো বা আইন মানিব নোখোজাটোহে আমাৰ দেশৰ আটাইতকৈ ডাঙৰ সমস্যা'

'ৰঙালী বিহুৰ পৰিৱৰ্তন' শীৰ্ষক ৰচনাত সন্দিকৈয়ে আন এটি ইতিবাচক চিন্তাৰ পোষকতা কৰিছে। চহৰ আৰু আধুনিকতাই অসমীয়া বিহু সংস্কৃতিক দুৰ্বল আৰু বিকৃত কৰিছে বুলি সততে সমালোচনা আৰু বিতৰ্ক কৰাসকলৰ বিৰুদ্ধে সন্দিকৈয়ে এই লেখাৰ জৰিয়তে প্ৰতিবাদ কৰিছে। সন্দিকৈৰ ভাষাত– 'এটা জাতিৰ সংস্কৃতিক সেই জাতিৰ তথাকথিত ঐতিহ্য তথা পৰম্পৰাই অনবৰতে পিছফালৰ পৰা ধৰি টানি থাকিলে সি আৰু সংস্কৃতি হৈ নাথাকে– সি হ'ব বদ্ধ জলাশয়।

'ৰাস্তা-পদূলিৰ কথা' শীৰ্ষক ৰচনাত অসমৰ আলি-পদূলিৰ দুৰাৱস্থা আৰু চৰকাৰৰ অমনোযোগিতাৰ কথা প্ৰকাশ কৰিছে। গ্ৰাম্য পৰ্যায়ত ৰাস্তা-পদূলিৰ অৱস্থা যে সাম্প্ৰতিক সময়তো তথৈবচ, চৰকাৰে যে বছৰে বছৰে উন্নয়নৰ নামত জনতাৰ টকা পানীত পেলাই আহিছে। নিজৰ পকেট গৰম কৰিছে, সেই কথা সন্দিকৈয়ে ভয় আৰু শঙ্কা নোহোৱাকৈ স্পষ্ট ভাষাৰে বৰ্ণনা কৰিছে। সেইদৰে 'অসমীয়া সাহিত্যৰ সভাকাণ্ড' শীৰ্ষক ৰচনাত অসম সাহিত্য সভাৰ বহু ভিতৰুৱা সমস্যাৰাজিৰ বিষয়ে বিশ্লেষণ কৰিছে। সেইদৰে সাহিত্যৰ সভাত ৰাজনৈতিক নেতাৰ পয়োভৰৰ কথা উল্লেখ কৰি একেজন সভাপতি, সম্পাদকে কিদৰে সাহিত্য সভাক জাতীয় অনুষ্ঠানৰ পৰা ব্যক্তিগত অনুষ্ঠানলৈ পৰিণত কৰিছে, তাৰ বিৱৰণ পোৱা যায়। সন্দিকৈয়ে সেয়েহে এই ৰচনাৰ শেষৰফালে কৈছে– 'শুনিবলৈ পোৱামতে ৰাজনীতিলৈ ভাল মানুহ নোযোৱাৰ দৰে সাহিত্য সভালৈও হেনো 'ভাল' সাহিত্যিক যাবলৈ ইচ্ছা নকৰা হ'ল। সাহিত্য সভা হেনো এতিয়া নানা জোখৰ কলংকিত ব্যক্তিৰ মিলনস্থলীত পৰিণত হ'ল।'

সাহিত্যিকৰ পেঞ্চন সন্দৰ্ভতো সন্দিকৈয়ে বহুতো অপ্ৰিয় সত্য উদ্ঘাটন কৰি সাহিত্যিক পেঞ্চনৰ বাবে সাহিত্যিকৰ খোৱা-কামোৰা আৰু অসৎ পদ্ধতিৰ মাজেৰেই যে এই নিৰ্বাচন প্ৰক্ৰিয়া হৈ আহিছে, সেই কথা উল্লেখ কৰিছে। হীৰেন গোহাঁইৰ দৰে ব্যক্তিয়ে পেঞ্চনৰ বাবে আবেদন নকৰাকৈ যদি পেঞ্চন পাব পাৰে, তেন্তে একে প্ৰক্ৰিয়াৰেইনো আনসকল সাহিত্যিকে কিয় নিজৰ যোগ্যতাৰ ভিত্তিত সাহিত্যিক পেঞ্চন পাব নোৱাৰে বুলি সন্দিকৈয়ে কৰা নিৰপেক্ষ বিশ্লেষণ মনকৰিবলগীয়া।

'মহানগৰীয়া কৃত্ৰিম বানপানী, লেহেমীয়া অসমীয়া' শীৰ্ষক ৰচনাত সন্দিকৈয়ে গুৱাহাটীৰ কৃত্ৰিম বানপানীৰ সন্দৰ্ভত বিশ্লেষণ আগবঢ়াইছে। বানপানীৰ কাৰণ আৰু জনসাধাৰণৰ সমস্যাৰ লগতে জনসাধাৰণৰ ভূলৰ বাবেও যে অনাহক বানপানীৰ সমস্যা সৃষ্টি হৈছে, সেই কথা তেওঁ উল্লেখ কৰিছে। আধুনিক বিলাসিতা আৰু বিজ্ঞানসন্মত জ্ঞানৰ অভাৱো এই বানপানী সমস্যাৰ অন্যতম কাৰণ। সেইদৰে চৰকাৰৰ উপযুক্ত আঁচনিৰ অভাবো বানপানী সমস্যাৰ মূল কাৰণ। সেইদৰে 'ঘৰগোণা' অসমীয়াৰ প্ৰতিটো কামেই যে সময়তকৈ পাছপৰা; যি এলেহুৱা স্বভাৱৰ বাবে লাচিতে মোমায়েকক কাটিছিল, সেই প্ৰসংগৰ অৱতাৰণা কৰি বৰ্তমান সময়ত যে অসমীয়াৰ মাজলৈ কিছু পৰিৱৰ্তন আহিছে বা সভ্যতাৰ লগে লগে যে অসমীয়া সমাজো আগবাঢ়ি যাবলৈ সক্ষম হৈছে, সেই কথা সন্দিকৈয়ে উল্লেখ কৰিছে।

'ৰেগিং সন্ত্ৰাস' শীৰ্ষক ৰচনাত লেখকে এটি ভয়াবহ অপৰাধ আৰু ব্যাধি হিচাপে ৰেগিঙৰ বিপক্ষে মাত মাতিছে। ৰেগিং কৰাটো বিকৃত মানসিকতাৰ গৰাকী বুলিহে লেখকে উল্লেখ কৰিছে। সেইদৰে বৈজ্ঞানিক মানসিকতাৰ অভাৱেহে এইধৰণৰ বিকৃত কাম-কাজ কৰিবলৈ ছাত্ৰ সমাজক অনুপ্ৰেৰণা যোগাই বুলি লেখকে উল্লেখ কৰিছে।

লেখকে শেহতীয়াকৈ মুক্তি লাভ কৰা হিন্দী চলচ্ছিত্ৰ 'অ মাই গড' ৰ কথাও বিস্তাৰিতভাৱে 'কথা-অপৰাধ, 'অ মাই গড' শীৰ্ষক ৰচনাত উল্লেখ কৰিছে। এই চলচ্ছিত্ৰখনে সমাজৰ ধৰ্মীয় কাৰ্য-কলাপৰ প্ৰকৃত বাস্তৱ স্বৰূপটো দেখুৱাবলৈ সক্ষম হৈছে। 'য'ত ধৰ্ম আছে, ত'ত সত্য নাই, য'ত সত্য আছে, ত'ত ধৰ্মৰ প্ৰয়োজন নাই' বুলি লেখকে মহৎবাণীৰ দৰে মননশীল মন্তব্য কৰি সমাজত ধৰ্মৰ অন্তঃসাৰশূণ্যতা প্ৰমাণ কৰাৰ চেষ্টা কৰিছে।

তৃতীয় খণ্ডত লেখকে দুটা বিষয়ৰ সন্দৰ্ভত আলোকপাত কৰিছে। 'মোৰ মনৰ ভিতৰৰ ভূপেন হাজৰিকাজন' শীৰ্ষক ৰচনাত লেখকে অসমীয়া সমাজ জীৱনত ভূপেন হাজৰিকাৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সম্পৰ্কে উল্লেখ কৰিছে আৰু ভূপেন হাজৰিকাৰ গীতবোৰক 'ভূপেন সংগীত' নহৈ কিয় 'ভূপেন্দ্ৰ সংগীত' কৰা হ'ল বুলি যুক্তি দৰ্শাইছে। এনেদৰে থাকিলে পৰৱৰ্তী সময়ত ভূপেন হাজৰিকাৰ প্ৰকৃত নাম ভূপেন নে ভূপেন্দ্ৰ আছিল, তাকে লৈ মতানক্যৰ সৃষ্টি হ'ব বুলি সন্দিকৈয়ে শংকা প্ৰকাশ কৰিছে। 'ডাক্তৰ' শীৰ্ষক ৰচনাত সন্দিকৈয়ে নিজেই সৰুতে ডাক্তৰ হোৱাৰ সপোন দেখাৰ কথা উল্লেখ কৰি পৰৱৰ্তী সময়ত তেওঁৰ জীৱনত কেইজনমান ডাক্তৰে কিদৰে প্ৰভাৱ পেলালে, সেই কথা উল্লেখ কৰিছে। এই দুটা ৰচনাত লেখকৰ সামাজিক দায়বদ্ধতাতকৈ ব্যক্তিগত চিন্তা-চৰ্চাৰ অনুৰণন হে দেখা যায়।

পৰিশেষত ক'ব পাৰি যে সন্দিকৈৰ এই গ্ৰন্থখনে অসমীয়া মানুহক নিজৰ স্বাভিমান, অধিকাৰ, প্ৰাপ্য স্বাধীনতা আদিৰ বিষয়ে সজাগ কৰাৰ লগতে অন্ধবিশ্বাস, কু সংস্কাৰৰ পৰা আঁতৰাই বৈজ্ঞানিক মানসিকতাৰে পৰিপুষ্ট হোৱাত নিশ্চিতৰূপত সহায় কৰিব। আৰু বৈজ্ঞানিক মানসিকতাৰে সমৃদ্ধ হ'লেহে সমাজ এখন নিৰোগী, নিজঞ্জালে বৰ্তি থাকিব পাৰিব। গ্ৰন্থখনে পাঠকৰ ব্যক্তিগত জীৱনত থকা বিশৃংখল চিন্তা-চৰ্চাক নিঃশেষ কৰি জীৱনটো শৃংখলিত কৰাত সহায় কৰিব। ৰচনাবোৰৰ মাজে মাজে থকা বিদ্ৰুপাত্মক লেখনি আৰু ব্যঙ্গই জনসাধাৰণক নিজকে বিশ্লেষণ কৰাৰো সুবিধা দিব। বনলতা প্ৰকাশনে প্ৰকাশ কৰা গ্ৰন্থখনৰ মূল্য ১৬০ টকা।

www.duwarfoundation.org

## CORE TEAM




Sjt. SANJIB GOHAIN



Sjt. MANASH PRATIM DUTTA




DHANASHREE DEKA

## দুৱাৰ ফাউণ্ডেচনৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় বিজ্ঞান মনস্কতা দিৱস, ২০২০ অনুষ্ঠানৰ কাৰ্য্যসূচী আৰু আন কেইটিমান মুহূৰ্ত

















# কেইজনমান বিজ্ঞান শ্বহীদ


















সংগৃহীত ফটোৰ উৎস: ইণ্টাৰনেট, চায়েন্স ফটো লাইব্ৰেৰী



*Believing something simply because someone with authority has said it, or because it has been written in a book, is wrong. The ultimate test of truth is observable proof…*

Narendra Dabholkar

*(From PLEASE THINK: PRACTICAL LESSON IN DEVELOPING A SCIENTIFIC TEMPER)*